সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক
# ৰঙিলী বাৰ্ত্তা
Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ, ৩৩ সংখ্যা, ৩০ শাওণ , ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 33 Date of Publication- 16 August 2026 Rs. 10.00/-

## লালকিল্লাৰ পৰা দেশবাসীক সম্বোধন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে লালকিল্লাৰ পৰা দেশবাসীক সম্বোধন কৰে। দেশবাসীক সম্বোধন কৰি 'বন্দে মাতৰম' আৰু ত্ৰিৰংগাৰ কথা উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "মোৰ প্ৰিয় দেশবাসী, আজি আমি আমাৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছো। আজি প্ৰতিগৰাকীৰ হৃদস্পন্দনতে 'বন্দে মাতৰম' ধ্বনি গুঞ্জৰিত হৈছে। আজি প্ৰতিখন ঘৰতে ত্ৰিৰংগা আৰু প্ৰতিখন হৃদয়তে ত্ৰিৰংগা উৰিছে। দেশখনে উৎসাহ আৰু উদ্যমেৰে, নতুন সংকল্পৰে আগবাঢ়িছে। আপোনালোক সকলোকে স্বাধীনতা দিৱসৰ আন্তৰিক শুভেচ্ছা জনালোঁ।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে লালকিল্লাৰ পৰা দেশবাসীক সম্বোধন কৰি কয়, "আজি দেশে সেই মহান সন্তানসকলক সুঁৱৰিছে, যিসকলে নিজৰ কঠোৰতা, নিষ্ঠা আৰু আত্মত্যাগৰ জৰিয়তে গোটেই জীৱন স্বাধীনতাৰ বাবে উৎসৰ্গা কৰিছিল। আজি মই পূজনীয় বাপুজীকে ধৰি সকলো স্বাধীনতা সংগ্ৰামীলৈ আৰু বলিদানৰ পৰম্পৰা জাগ্ৰত কৰা মহান বিপ্লৱীসকলৰ প্ৰতি মোৰ সন্মানজনক শ্ৰদ্ধাঞ্জলি জনাইছো।" প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, "আজি সকলোৰে বাবে এক ঐতিহাসিক মুহূৰ্ত। স্বাধীনতাৰ পিছত প্ৰথমবাৰৰ বাবে ১৫ আগষ্টত লালকিল্লাৰ পৰা প্ৰতিধ্বনিত হৈছে বন্দে মাতৰম। আজি দেশৰ জনসাধাৰণে বন্দে মাতৰমৰ ১৫০ বছৰ উদযাপন কৰিছে, দেশবাসীৰ বাবে ইয়াতকৈ গৌৰৱৰ মুহূৰ্ত কি হ'ব পাৰে? স্বাধীনতা দিৱসৰ ভাষণত ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ সংকল্পৰ কথা তেওঁ পুনৰবাৰ ব্যক্ত কৰে। ১৪০ কোটি ভাৰতীয়ৰ শক্তি আৰু সংকল্পই এই বৃহৎ লক্ষ্য পূৰণৰ আধাৰ বুলি উল্লেখ কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰধানমন্ত্ৰীয়ে কয়, বিশ্বৰ সৰ্বাধিক জনসংখ্যাৰ দেশ ভাৰতে নিজকে এখন বিকশিত দেশ হিচাপে গঢ়ি তোলাৰ লক্ষ্য নিৰ্ধাৰণ কৰাটো সমগ্ৰ বিশ্বৰ বাবে এক শক্তিশালী বাৰ্তা। এই লক্ষ্যৰ ফলত বিশ্বৰ দৃষ্টিত ভাৰতৰ ভাবমূৰ্তিও নতুন ৰূপত গঢ় লৈ উঠিছে। ভাষণত ভাৰতৰ শক্তি সুৰক্ষাৰ ওপৰতো প্ৰধানমন্ত্ৰী গৰাকীয়ে বিশেষ গুৰুত্ব ( দুই পৃষ্ঠাত চাওক)

## বানপীড়িত জিলাৰ হেৰুওৱা ছন্দ ঘূৰাই আনিমঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা-গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত কেন্দ্ৰীয়ভাৱে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয় । খানাপাৰাৰ খেলপথাৰত ৰাইজৰ উপস্থিতিত পুৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীয়ে ৰাজ্যবাসীক উদ্দেশ্যি ভাষণ প্ৰদান কৰে । পতাকা উত্তোলন কৰি দিয়া ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে প্ৰতিগৰাকী সংগ্ৰামী যোদ্ধাক শ্ৰদ্ধাৰে স্মৰণ কৰে । নিজৰ ভাষণত প্ৰলয়ংকৰী বানৰ প্ৰসংগ উল্লেখ কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। বানত প্ৰাণ হেৰুৱা লোকসকলৰ আত্মাৰ সদগতি কামনা কৰে মুখ্যমন্ত্ৰীগৰাকীয়ে। উজনিৰ ভয়াৱহ বান পৰিস্থিতিৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "ৰাজ্যত হোৱা প্ৰাকৃতিক দুৰ্যোগে আমাৰ অন্তৰ গধুৰ কৰি ( দুই পৃষ্ঠাত চাওক)

## স্বাধীনতা দিৱসৰ দিনাই অনশনত বহিল বিধায়ক অখিল গগৈ





ৰঙিলী বাৰ্ত্তাসেৱা- দেশে ৮০ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰিছে । এই স্বাধীনতা দিৱসৰ দিনাই বিধায়ক অখিল গগৈ অনশনত বহিল ।শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ এটাই দাবী- শেহতীয়াকৈ উজনিৰ বানত ঘৰ-বাৰী হেৰুৱাই দিশহাৰা হোৱা পৰিয়ালক উচিত ক্ষতিপূৰণ দিয়া। সমষ্টিবাসীক উচিত ক্ষতিপূৰণ দিয়াৰ দাবীত আঠঘণ্টীয়া অনশনত ভাগ লয় বিধায়কগৰাকীয়ে। বিধায়কগৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে এই প্ৰতিবাদী কাৰ্যসূচীৰ প্ৰথম স্বৰ্ত হ'ল শিৱসাগৰ জিলাৰ বানত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক ১০ লাখ টকাৰ ক্ষতিপূৰণ দিয়া ।এই বান প্ৰাকৃতিক নহয় ।নগালেণ্ড আৰু অসমত হোৱা ব্যাপক কয়লা-শিল (দহ পৃষ্ঠাত চাওক)

## চৰকাৰী কৰ্মচাৰীক সকীয়নি মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী সেৱা সৰলীকৰণ আৰু সুশাসন নিশ্চিত কৰাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰে। ৰাজ্যৰ চৰকাৰী কাৰ্যালয়সমূহত বহু দিন ধৰি অমীমাংসিত হৈ থকা ফাইলসমূহ ক্ষিপ্ৰতাৰে নিৰ্পত্তি কৰাৰ উদ্দেশ্যে 'মিছন সম্ভাৱনা' আৰু 'প্ৰজেক্ট সম্ভাৱনা' শুভাৰম্ভ কৰাৰ কথা ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীৰ ঘোষণামতে, ৰাজ্যৰ মুখ্য সচিব আৰু অতিৰিক্ত মুখ্য সচিবসকলক লৈ এই বিশেষ মিছন আৰু প্ৰজেক্ট গঠন কৰা হ'ব। অহা ২ অক্টোবৰৰ গান্ধী জয়ন্তীৰ পৰা 'মিছন মুড'ত এই অভিযান আৰম্ভ কৰি চৰকাৰী কাৰ্যালয়সমূহত পেণ্ডিং হৈ থকা প্ৰতিটো ফাইল ( দুই পৃষ্ঠাত চাওক)

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰাণে মৰাৰ ভাবুকি




ৰঙিলী বাৰ্ত্তাসেৱা- ৮০ সংখ্যক স্বাধীনতা দিৱসৰ অনুষ্ঠান সম্প্ৰচাৰিত হৈ থকাৰ সময়তে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সামাজিক মাধ্যমত মুকলিকৈ প্ৰাণে মৰাৰ ভাবুকি দিয়া কাৰ্যই ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্যকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। ১৫ আগষ্টৰ পুৱা গুৱাহাটীৰ খানাপাৰাত আয়োজিত স্বাধীনতা দিৱসৰ বিশেষ কাৰ্যসূচী মুখ্যমন্ত্ৰীগৰাকীৰ ফেচবুক পেজৰ জৰিয়তে পোনপটীয়াভাৱে সম্প্ৰচাৰিত হৈ আছিল। এই লাইভ অনুষ্ঠান চলি থকাৰ সময়তে আব্দুল মোতালেব নামৰ এটা ফেচবুক একাউণ্টৰ পৰা কমেণ্ট বক্সত মুখ্যমন্ত্ৰীগৰাকীক লক্ষ্য কৰি ধাৰাবাহিকভাৱে কেইবাটাও (দহ পৃষ্ঠাত চাওক)

# লালকিল্লাৰ পৰা দেশবাসীক সম্বোধন


আৰোপ কৰে। তেওঁ কয় যে, কৃত্ৰিম বুদ্ধিমত্তা (AI), ডাটা চেণ্টাৰ আৰু আধুনিক প্ৰযুক্তিৰ বিকাশৰ বাবে বিপুল পৰিমাণৰ বিদ্যুতৰ প্ৰয়োজন হ'ব। সেয়েহে শক্তি সুৰক্ষা এতিয়া বিশ্বৰ এক গুৰুত্বপূৰ্ণ প্ৰয়োজনীয়তা। ভাৰত চৰকাৰে ক্ৰিটিকেল মিনাৰেলছ মিছন আৰম্ভ কৰাৰ লগতে এই ক্ষেত্ৰত আত্মনিৰ্ভৰ হোৱাৰ প্ৰচেষ্টা চলাইছে বুলি তেওঁ উল্লেখ কৰে। ছেমিকণ্ডাক্টৰ আৰু ক্ৰিটিকেল মিনাৰেলছৰ লগতে শক্তি খণ্ডতো ভাৰতে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। পাৰমাণৱিক শক্তিক শক্তি সুৰক্ষাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম হিচাপে উল্লেখ কৰি মোদীয়ে কয় যে, ২০৪৭ চনৰ ভিতৰত ভাৰতত ১০০ গিগাৱাট পাৰমাণৱিক বিদ্যুৎ উৎপাদনৰ লক্ষ্য লোৱা হৈছে। লগতে পাঁচটা নতুন পাৰমাণৱিক ৰিয়েক্টৰ আৰম্ভ কৰাৰ লক্ষ্যৰ কথাও তেওঁ ঘোষণা কৰে। দেশৰ বিভিন্ন প্ৰান্তত বানপানী আৰু ভূমিস্খলনৰ ফলত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ প্ৰতি প্ৰধানমন্ত্ৰীয়ে সংহতি প্ৰকাশ কৰে। তেওঁ কয় যে বিগত কেইদিনত অসম, কেৰালা, উত্তৰাখণ্ড আৰু নাগালেণ্ডকে ধৰি কেইবাখনো ৰাজ্যত ধাৰাসাৰ বৰষুণ, আকস্মিক বান আৰু ভূমিস্খলনৰ ফলত বহু লোক ক্ষতিগ্ৰস্ত হৈছে। চৰকাৰে তেওঁলোকৰ দুখ-কষ্ট সম্পূৰ্ণৰূপে উপলব্ধি কৰিছে আৰু সমগ্ৰ দেশ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সৈতে আছে বুলি তেওঁ আশ্বাস দিয়ে। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে কয় যে, বিগত ১০-১২ বছৰত দেশবাসীয়ে নিজৰ সামৰ্থ্য প্ৰমাণ কৰিছে আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ দিশত দেশ আগবাঢ়িছে। তেওঁৰ মতে, যিবোৰ কাম বিগত পাঁচ দশকতো সম্পূৰ্ণ হোৱা নাই, সেইবোৰ অহা ৫-৭ বছৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য লৈ আগবাঢ়িব লাগিব। ভাৰতৰ সাগৰীয় সম্পদ আৰু ছীফুড খণ্ডতো বিশ্ববজাৰত দেশৰ বাবে বৃহৎ সম্ভাৱনা আছে বুলি তেওঁ উল্লেখ কৰে। আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিৰ কথা উল্লেখ কৰি মোদীয়ে কয় যে, পেট্ৰ'ল, ডিজেল, সাৰ, ঔষধ আৰু প্ৰযুক্তিৰ দৰে গুৰুত্বপূৰ্ণ সম্পদক কেতিয়াবা অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হৈছে। এনে পৰিস্থিতিত আত্মনিৰ্ভৰতাৰ মন্ত্ৰ গ্ৰহণ নকৰিলে ভাৰতে বহু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হ'লহেঁতেন বুলি তেওঁ উল্লেখ কৰে। নক্সালবাদ-মাওবাদে দেশৰ বহু পৰিয়াল ধ্বংস কৰাৰ অভিযোগ উত্থাপন কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, চাৰি দশক ধৰি এই হিংসাত্মক মতাদৰ্শই দেশৰ বৃহৎ অংশৰ জনসাধাৰণক প্ৰভাৱিত কৰিছিল। ২০১৪ চনৰ পিছত চৰকাৰে নক্সালবাদ নিৰ্মূল কৰাৰ সংকল্প লৈছিল আৰু এতিয়া সেই লক্ষ্যৰ দিশত দেশ আগবাঢ়িছে বুলি তেওঁ দাবী কৰে। তেওঁ লগতে কয় যে, অস্ত্ৰধাৰী নক্সালবাদৰ প্ৰভাৱ কমিছে যদিও একাংশ লোক এতিয়াও দেশক হিংসাৰ দিশে ঠেলিবলৈ চেষ্টা কৰি আছে। তেওঁলোকক চিনাক্ত কৰি পৃথক কৰাটো সুৰক্ষিত ভাৰত গঢ়াৰ বাবে প্ৰয়োজনীয় বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

# বানপীড়িত জিলাৰ হেৰুওৱা

ৰাখিছে । দুৰ্যোগত প্ৰাণ হেৰুওৱাসকলৰ প্ৰতি মই গভীৰ শ্ৰদ্ধাঞ্জলি যাঁচিছো । ১০২ খন আসনে আমাক অহংকাৰী কৰা নাই, আমাক সেৱা আৰু দায়িত্বৰ প্ৰতি অধিক দায়িত্বশীল কৰি তুলিছে। শিৱসাগৰ, চৰাইদেউ, যোৰহাট, গোলাঘাট জিলাৰ ৰাইজক আশ্বাস দিছোঁ যে আমি আপোনালোকৰ জিলাকেইখনলৈ হেৰুওৱা ছন্দ ঘূৰাই আনিম। আমি আমাৰ চেষ্টাৰ কোনো ত্ৰুটি নকৰোঁ। পুনৰ সংস্থাপনৰ কাম ইতিমধ্যেই আৰম্ভ কৰিছোঁ। ১০ ছেপ্টেম্বৰৰ ভিতৰত ক্ষয়-ক্ষতিৰ এখন প্ৰকৃত ছবি আমাৰ ওচৰলৈ আহিব। বানাক্ৰান্ত ৰাইজৰ পুনৰ সংস্থাপনৰ ক্ষেত্ৰত টকা-পইচাৰ অভাৱৰ সন্মুখীন হ'বলৈ নিদিওঁ । সকলো প্ৰত্যাহ্বান ওফৰাই যাম আমি । মই প্ৰধানমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। ধন্যবাদ জনাইছো এনডিআৰএফ আৰু এছডিআৰএফৰ লগতে প্ৰতিগৰাকী সেনা জোৱানক বানাক্ৰান্তক সহায় কৰাৰ বাবে। ধন্যবাদ জনাইছো বানাক্ৰান্ত ৰাইজক সহায় কৰিবলৈ আগুৱাই অহা প্ৰতিগৰাকীক লোকক।" মুখ্যমন্ত্ৰীয়ে কয়, "বিগত ৫ বছৰত ৰাজ্যৰ অৰ্থনীতি ক্ষিপ্ৰ গতিত বৃদ্ধি পাইছে । অসমৰ ঐতিহ্যমণ্ডিত চাহ উদ্যোগ আৰু প্ৰাকৃতিক সম্পদৰ সমান্তৰালকৈ ঔদ্যোগিক খণ্ডত অসমে এক নতুন ইতিহাস ৰচনা কৰিবলৈ সাজু হৈছে। অহা নৱেম্বৰ মাহৰ পৰাই ৰাজ্যৰ ছেমিকণ্ডাক্টৰ প্লাণ্টৰ পৰা চিপছ নিৰ্মাণ আৰু উৎপাদনৰ কাৰ্যসূচী আৰম্ভ হ'ব । ইয়াৰ জৰিয়তে বিশ্বৰ উদ্যোগ মানচিত্ৰত অসমে এক অনন্য আৰু নতুন মাত্ৰা লাভ কৰিব ।এটা সময় আছিল যেতিয়া অসমে আন ৰাজ্যৰ উন্নয়নৰ আৰ্হি অনুসৰণ কৰিবলগীয়া হৈছিল । কিন্তু এতিয়া সেই দিন সলনি হৈছে । হাজাৰ প্ৰত্যাহ্বান নেওচি ৰাজ্যখনে নিজা 'উন্নয়নৰ অসম মডেল' গঢ়ি তুলিছে। অসম মডেলৰ ডাঙৰ সফলতা মেধাৰ ভিত্তিত স্বচ্ছ আৰু নিকা নিযুক্তি। যাৰ বাবে আজি অসমক আন ৰাজ্যই অনুসৰণ কৰে । অসমৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে গণি গণি ডেৰ লাখ কোটি টকা খৰচ কৰা হ'ব।" লগতে ভাষণত মুখ্যমন্ত্ৰীয়ে কয়, "বন্দে মাতৰম গীতটোক কংগ্ৰেছৰ একাংশ নেতাই খণ্ডিত কৰি দিছিল । পুনৰ এবাৰ এই গীতটোক তুলি ধৰিছে ভাৰত চৰকাৰে। আজি লালকিল্লাৰ পৰা বন্দে মাতৰম গীতটো সম্পূৰ্ণৰূপে প্ৰতিধ্বনিত হৈছে । এই গীতটি আছিল মাতৃভূমিৰ প্ৰতি এক ঐশ্বৰিক বন্দনা। প্ৰজন্মৰ পৰা প্ৰজন্মলৈ এই গীতটিয়ে আমাক সোঁৱৰাই আছে, ভেদাভেদ যিমান নাথাকক আমি একে মাতৃৰে সন্তান।" ক্ৰীড়াক্ষেত্ৰত অসমৰ নাম উজলাই তোলা খেলুৱৈসকলক অভিনন্দন জনাই মুখ্যমন্ত্ৰীয়ে কয়, লাভলীনা বৰগোঁহাই আৰু অস্মিতা চলিহালৈ অসমবাসীৰ হৈ আন্তৰিক অভিনন্দন । আমি বহু লাভলীনা, অস্মিতা, হিমা, নয়নমণি জন্ম দিব পাৰিম ।

সম্পাদকীয় শিতান... দেৱাশীষ গোস্বামী, নগাঁও

# নাম= চৰিত্ৰ+কৰ্মকাণ্ড




নাম অৰ্থাৎ আমাৰ সকলোৰে Identity. মানুহ হৈ জন্ম লভাৰ ঠিক পিছমুহূৰ্তত আমিবোৰ একো একোটা নামৰ অধিকাৰী হওঁ। অৱশ্যে সেই বিশেষ মুহূৰ্তৰ নামবোৰৰ স্থায়ীত্ব বৰ দীৰ্ঘস্থায়ী নহয়। ইজনে সিজনে নিজৰ নিজৰ হৃদয়ৰ নিভৃত কোণৰ মৰম জাহিৰ কৰিবলৈ ব্যৱহাৰ কৰা Temporary নামবোৰৰ মালিক আমিবোৰ মাত্ৰ কিছু দিনৰহে। পিছৰ পৰ্য্যায়ত আমিবোৰ সাধাৰণতে আমাৰ জন্মৰ দিন, বাৰ, সময় অনুযায়ী গণনাকাৰীয়ে নিৰ্দ্ধাৰণ কৰি দিয়া আদ্যাক্ষৰ অনুযায়ী একো একোটা সময়োপযোগী সুন্দৰ অৰ্থনিহিত নামৰ অধিকাৰী হৈ পৰো। কালক্ৰমত এই নামটোৱেই হৈ পৰে আমাৰ পৰিচয় বা Identity, যি আমৃত্যু পৰ্য্যন্ত চাৰিওফালৰ পৃথিবীখনৰ লগত আমাক সংযুক্ত কৰি ৰাখে। আমাৰ প্ৰত্যেকৰ নাম বোৰেই আমাৰ বংশৰ ধ্বজা বাহক। অৰ্থাৎ আমাৰ পিতৃক প্ৰতিনিধিত্ব কৰে। উদাহৰণ স্বৰূপে Son of, চমুকৈ S/O আৰু Daughter of, চমুকৈ D/O. নিজৰ পৰিচয় বা Identity দাঙি ধৰোতে প্ৰায় সকলোতে জীৱিত বা মৃত পিতৃৰ নামৰ উল্লেখ অপৰিহাৰ্য্য, কেওঁ কিছু পৰিস্থিতি সাপেক্ষে আমাৰ জীৱিত বা মৃত মাতৃৰ নামৰ উল্লেখো প্ৰয়োজন। উদাহৰণ স্বৰূপে আমাৰ Birth Certificate, Passport, Marriage Invitation Card ইত্যাদি।

আমি সকলো সাধাৰণতে Minimum ২টা নামৰ অধিকাৰী। তাৰে এটা ঘৰুৱা আৰু আনটো পোছাকী। ঘৰৰ, সম্পৰ্কীয় আৰু ওচৰ চুবুৰীয়াৰ মাজত সাধাৰণতে আবদ্ধ ঘৰুৱা নামটো। আনহাতে আমাৰ পোছাকী নামটোৱেই আমি প্ৰত্যেকৰ প্ৰকৃত পৰিচয় বা Identity.

এতিয়া কথা হ'ল, মা-দেউতাৰ পৰিচয় বাহক, সেই বিশেষ গণনাকাৰী জনৰ নিখুঁত Research অৰ ফলত অধিকাৰী হোৱা আমাৰ পৰিচয় বা Identity- নামটোৰ সুনাম অক্ষুন্ন ৰখাৰ দায়িত্বও আমাৰেই, নহয়নে বাৰু? আমি আমাৰ নাম পৃথিৱীবাসীৰ আগত পৰিচয় কৰাই দিবলৈ যথেষ্ট সংগ্ৰাম, কষ্ট স্বীকাৰ কৰিব লগীয়া হয়। দৈনন্দীন জীৱনত আমি কৰা কৰ্মকাণ্ড তথা লগত অনবৰতে কঢ়িয়াই লৈ ফুৰা আমাৰ প্ৰকৃত চৰিত্ৰই প্ৰত্যেকৰে নামৰ প্ৰকৃত মূল্যংকন। উদাহৰণস্বৰূপে মোৰ নাম দেৱাশীষ, ২জনী বাইদেওৰ জন্মৰ বহুত দিনৰ পিচত একমাত্ৰ ল'ৰা হিচাপে মা-দেউতাই মোক পাইছিলে। সেইবাবেই দেৱতাৰ আশীষেৰে পুষ্ট হিচাপে মোৰ নামৰ বিশেষত্ব। এতিয়া একমাত্ৰ মোৰ দায়িত্ব মা-দেউতা তথা গননাকাৰীয়ে দিয়া নামৰ সুনাম অক্ষুন্ন ৰখাৰ।


কলিযুগত পাপ বাঢ়িছে। ক্ষমতাৰ খক বাঢ়িছে, অহংকাৰ বাঢ়িছে, টকা-পইছা, সম্পত্তিৰ লালসাই অমানুহ কৰি তুলিছে। এই পাপী, খকুৱা, অহংকাৰী, অমানুহ বোৰৰ নামৰ অন্তৰ্নিহিত ভাঙনিয়ে যথেষ্ট দুখ দিয়ে, কাৰণ তেওঁলোকো একো একোটা সুন্দৰ অৰ্থনিহিত নামৰ অধিকাৰী। পিতৃ-মাতৃ প্ৰদত্ত সুন্দৰ নামৰ আধকাৰী হৈও নিকৃষ্ট কৰ্ম-কাণ্ড আৰু চৰিত্ৰই নিজৰ তথা বংশৰ পৰিচয় বা Identity কলুষিত কৰি তুলে, ধূলিসাৎ হৈ পৰে। সোনালী আখৰেৰে লিপিবদ্ধ হোৱাটো দূৰৰে কথা পৃথিৱীবাসীৰ মানস পটৰ পৰাই নামটো হেৰাই যায়।

আহকচোন আমি সকলোৱে নিজৰ নিজৰ নামৰ অন্তৰ্নিহিত অৰ্থৰ লগত আমাৰ প্ৰকৃত চৰিত্ৰ তথা কৰ্মকাণ্ডৰ তুলনা কৰি চাওঁ। ফলাফল মা-দেউতা তথা সেই বিশেষ গননাকাৰী জনৰ সপক্ষেই যায় নে বিপক্ষেই যায় বা?

# চৰকাৰী কৰ্মচাৰীক সকীয়নি

নিষ্পত্তিৰ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য লোৱা হৈছে। লগতে ৰাইজৰ কাম সময়মতে সম্পূৰ্ণ নকৰা বা ফাইল পলম কৰা বিষয়া-কৰ্মচাৰীসকলৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি মুকলিকৈ সকিয়নী প্ৰদান কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কয়, "চৰকাৰী বিষয়া আৰু কৰ্মচাৰীসকলক আকৌ সকীয়াই দিছোঁ। ৰাইজৰ আৰু ধৈৰ্য্য পৰীক্ষা নল'ব। এই ডিজিটেল যুগত ৰাইজে আৰু সহ্য কৰি নাথাকে। ৰাইজৰ বাবে উৎসৰ্গিত হ'ব লাগিবই চৰকাৰী বিষয়া-কৰ্মচাৰী।" মুখ্যমন্ত্ৰীয়ে কটন বিশ্ববিদ্যালয়ৰ বাবে ১০০ কোটি টকা ঘোষণা কৰে। লগতে ১০০০ গৰাকী কৃষকক মুখ্যমন্ত্ৰী কৃষি উৎকৰ্ষ বঁটাৰে সন্মানিত কৰাৰ কথা সদৰী কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে ভাষণত কয়, "মই জেন-জি কনচেপ্টক বিশ্বাস নকৰো । এইবোৰ ইউৰোপীয়ান বিষয়। মোৰ দৃষ্টিত কলেজত পঢ়া ল'ৰা-ছোৱালীসকল জেন-জি নহয়। সকলো মোৰ বাবে পুত্ৰ-কন্যা। ৰাজ্যত যুৱ শক্তিৰ উন্নয়নৰ বাবে নতুন এটা বিভাগ গঠনৰ কৰা হ'ব।" মুখ্যমন্ত্ৰীয়ে লগতে কয়, "ৰাজ্যৰ ৪০ টা ৰাজহ চক্ৰত এতিয়াৰ পৰা তিনিটা প্ৰজন্মৰ নথি-পত্ৰ থাকিলেহে মাটি কিনা-বেচা কৰিব পাৰিব। নতুনকৈ ৬, ০০০ কিলোমিটাৰ অসম মালাৰ অধীনত পথ নিৰ্মাণ কৰা হ'ব।" মুখ্যমন্ত্ৰীয়ে সন্তানৰ শিক্ষাত অধিক বিনিয়োগ কৰিবলৈ পিতৃ-মাতৃসকললৈ আহ্বান জনায়। লগতে ভূগৰ্ভস্থ পানী ৰক্ষাৰ বাবে ৰাইজক বৰষুণৰ পানী সংৰক্ষণৰ লগত জড়িত হ'বলৈ আহ্বান জনায় ।বাল্যবিবাহৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়, "বিগত ৫ বছৰত বাল্যবিবাহৰ ১২, ১৯৬ টা গোচৰ ৰুজু হৈছিল। বাল্যবিবাহত অভিযুক্ত ১, ০৯৯ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। অসম আৰক্ষীয়ে ১ নৱেম্বৰৰ পৰা পুনৰ এমাহৰ বাবে বাল্যবিবাহৰ বিৰুদ্ধে চলাব অভিযান। অসম আৰক্ষীয়ে আপোচবিহীনভাৱে অভিযান চলাব। আনহাতে বিবাহ বিচ্ছেদ নকৰাকৈ আন মহিলাৰ সৈতে সংসাৰ কৰা চৰকাৰী কৰ্মচাৰীসকলো সাৱধান হওক। প্ৰথমা পত্নীৰ সৈতে বিবাহ বিচ্ছেদ নকৰাকৈ দ্বিতীয়া পত্নীৰ সৈতে সংসাৰ বা সম্পৰ্ক কৰাৰ অভিযোগ আহিলেই সেই চৰকাৰী চাকৰিয়ালৰ দৰমহাৰ ২০ শতাংশ কৰ্তন কৰি প্ৰথমা পত্নীৰ বেংকত দিয়া হ'ব। এই আইন বিধানসভাত আনিবলৈ আমি চেষ্টা কৰিম। অসম চৰকাৰে বাল্যবিবাহ আৰু বহু বিবাহক লৈ ইতিমধ্যে কঠোৰ স্থিতি গ্ৰহণ কৰিছে।

# অসম আৰক্ষীৰ ১৫ বিষয়া-জোৱানলৈ ৰাষ্ট্ৰপতি মেডেল



ৰঙিলী বাৰ্ত্তাসেৱা- ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাককক্ষণত বিভিন্ন সেৱাৰ বাবে আগবঢ়োৱা ৰাষ্ট্ৰপতিৰ পদক বিজয়ীসকলৰ নাম ঘোষণা কৰা হৈছে। দেশৰ ১,০৫৭ গৰাকী বিষয়া-জোৱানক ৰাষ্ট্ৰপতিৰ সাহসিকতা আৰু সেৱা পদকেৰে সন্মানিত কৰা হৈছে। এই তালিকাত অসম আৰক্ষীৰো কেইবাগৰাকী বিষয়া-জোৱানে ৰাষ্ট্ৰপতিৰ পদক লাভ কৰি অসমলৈ বিৰল সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অসম আৰক্ষীৰ ১৫ গৰাকী বিষয়া-জোৱানে বিশিষ্ট সেৱা আৰু প্ৰশংসনীয় সেৱাৰ বাবে পদক লাভ কৰিবলৈ সক্ষম হৈছে। এইবাৰ বিশিষ্ট সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ কৰিছে আৰক্ষী মহাপৰিদৰ্শক দেৱজ্যোতি মুখাৰ্জীয়ে। আনহাতে, প্ৰশংসনীয় সেৱাৰ বাবে ১১ গৰাকী আৰক্ষী, দুগৰাকী অগ্নিনিৰ্বাপক বাহিনীৰ আৰু গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষাৰ এগৰাকী জোৱানে এই পদক লাভ কৰিছে। এই প্ৰশংসনীয় সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ পদক লাভ কৰিছে ভি শিৱ প্ৰসাদ গড়ালা (আৰক্ষী মহাপৰিদৰ্শক), শৰ্মিষ্ঠা বৰুৱা (সহকাৰী আৰক্ষী মহাপৰিদৰ্শক), শান্তনু কুমাৰ দত্ত ( চাৰিপৃষ্ঠাত চাওক)

# আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পুনৰ উজলিল অসম কন্যা ৰীমা দাস



ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসৰ শেহতীয়া ছবি 'নট এ হিৰো'ই ২০২৬ চনৰ মেলবৰ্ণৰ ভাৰতীয় চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ ইণ্ডি ফিল্ম বঁটা লাভ কৰিছে । মেলব'ৰ্নৰ চলচ্চিত্ৰ মহোৎসৱত লাভ কৰা এই বঁটাটো এই শাখাত ৰীমা দাসৰ দ্বিতীয়টো সফলতা। ইয়াৰ পূৰ্বে ২০১৯ চনতো তেওঁ 'বুলবুল কেন ছিংগ' ছবিখনৰ বাবে এই একে সন্মান লাভ কৰিছিল ।বৰ্তমানলৈকে নিৰ্মাণ কৰা তেওঁৰ পাঁচখন পূৰ্ণদৈৰ্ঘ্যৰ চলচ্চিত্ৰই আই এফ এমত প্ৰদৰ্শিত হৈছে। আই এফ এফ এমৰ সৈতে তেওঁৰ সম্পৰ্ক কেৱল তেওঁৰ নিজৰ চলচ্চিত্ৰসমূহতে সীমাবদ্ধ নহয়। 'মাই মেলব'ৰ্ন' নামৰ এন্থোলজী ছবিখনৰো এটা খণ্ড পৰিচালনা কৰিছিল । মেলব'ৰ্নত প্ৰদৰ্শন হোৱাৰ আগতে, ২০২৬ চনৰ ফেব্ৰুৱাৰী মাহত 'নট এ হিৰো' ছবিখনে বাৰ্লিন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত আন্তঃৰাষ্ট্ৰীয় প্ৰথম প্ৰদৰ্শন লাভ কৰিছিল । ছবিখনে এই মহোৎসৱৰ 'জেনেৰেশ্যন কেপ্লাছ' শাখাত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শিশু জুৰীৰ ফালৰ পৰা 'ক্ৰিষ্টেল বেয়াৰ বিশেষ উল্লেখ' সন্মানো অৰ্জন কৰিবলৈ সক্ষম হৈছিল । পৰিচালক ৰীমা দাসে উল্লেখ কৰে যে, পূৰ্বৰ সফলতাৰ বাবে এই শেহতীয়া স্বীকৃতিটো তেওঁৰ বাবে অতি বিশেষ । তেওঁ এই চলচ্চিত্ৰ মহোৎসৱক নিজৰ চলচ্চিত্ৰ যাত্ৰাৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে বৰ্ণনা কৰে । ছবিখনৰ কাহিনীভাগ এজন ৰব বছৰীয়া ল'ৰাক কেন্দ্ৰ কৰি গঢ়ি উঠিছে, যাক চহৰৰ পৰা তেওঁৰ পূৰ্বপুৰুষৰ গাঁৱলৈ লৈ যোৱা হয় । গাঁৱত কটোৱা সময়ে তাক এগৰাকী দূৰসম্পৰ্কীয় পেহী বা মাহী, এটা ঘোঁৰা আৰু গাঁৱৰ এদল শিশুৰ কাষ চপাই আনে, যাৰ সৈতে সি বিভিন্ন ৰোমাঞ্চকৰ অভিযানত লিপ্ত হয় । চলচ্চিত্ৰ নিৰ্মাতাগৰাকীৰ মতে, ছবিখনে শৈশৱৰ স্বাধীনতা আৰু কল্পনাৰ লগতে প্ৰকৃতিৰ সৈতে শিশুৰ থকা গভীৰ সম্পৰ্কক সূক্ষ্মভাৱে পৰীক্ষা কৰিছে। ( চাৰিপৃষ্ঠাত চাওক)

# অসম আৰক্ষীৰ ৭২ বিষয়া জোৱানলৈ মুখ্যমন্ত্ৰীৰ বিশেষ সেৱা পদক

ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে অসমৰ ৰাজ্যপালে আৰক্ষী, অগ্নিনিৰ্বাপক আৰু কাৰাগাৰ বিভাগৰ মুঠ ৭২ গৰাকী বিষয়া আৰু কৰ্মচাৰীক দুটা গুৰুত্বপূৰ্ণ পদকেৰে সন্মানিত কৰিছে। মুখ্যমন্ত্ৰীৰ বিশেষ সেৱা পদক আৰু মুখ্যমন্ত্ৰীৰ আৰক্ষী পদকেৰে সন্মানিত কৰা এই ৭২ গৰাকী বিষয়া জোৱান তথা কৰ্মচাৰীক মূলতঃ এইবাৰ বিপদৰ সময়ত আৰু সাধাৰণ কৰ্তব্যত উৎকৃষ্টতাৰ বাবে প্ৰদান কৰা হৈছে। যিকোনো সংকটৰ সময়ত তথা বান, প্ৰাকৃতিক দুৰ্যোগ আৰু জৰুৰীকালীন পৰিস্থিতিত সাহস আৰু নিষ্ঠাৰে সেৱা আগবঢ়োৱাৰ বাবে মুঠ ৩৭ গৰাকীক এইবাৰ মুখ্যমন্ত্ৰীৰ বিশেষ সেৱা পদক প্ৰদান কৰা হৈছে। এই বিশেষ সেবা পদকপ্ৰাপ্তসকল হৈছে ক্ৰমে- দেৱজ্যোতি মুখাৰ্জী (মহাপৰিদৰ্শক, সীমান্ত আৰু অগ্নিনিৰ্বাপক সেৱা), অংকুৰ জৈন (আয়ুক্তালয়ৰ যুটীয়া আয়ুক্ত, গুৱাহাটী), পদ্মনাভ বৰুৱা (জ্যেষ্ঠ আৰক্ষী অধীক্ষক, ওদালগুৰি), জয়ন্ত সাৰথি বৰা (আয়ুক্তালয়ৰ উপ-আযুক্ত, যাতায়াত, গুৱাহাটী), মৃণাল ডেকা (অধ্যক্ষ, লোকপ্ৰিয় বৰদলৈ আৰক্ষী একাডেমী, দেৰগাঁও), সুমিতা শৰ্মা (সহকাৰী আৰক্ষী মহাপৰিদৰ্শক, প্ৰশিক্ষণ, অসম), ৰিপুঞ্জয় কাকতি (জ্যেষ্ঠ আৰক্ষী অধীক্ষক, ডিমাহাছাও), মৈত্ৰেয়ী ডেকা (সহকাৰী জিলা আৰক্ষী অধীক্ষক, জালুকবাৰী), দিনেশ কুমাৰ, (জ্যেষ্ঠ আৰক্ষী অধীক্ষক, হামৰেণ, পশ্চিম কাৰ্বি আংলং), নিব্ৰাংশু হাঁচ (সহকাৰী জিলা আৰক্ষী অধীক্ষক, বোকাখাট, গোলাঘাট), কিৰাট সোনোৱাল (উপ-আৰক্ষী অধীক্ষক, পশ্চিম কাৰ্বি আংলং), পাপৰী চেতিয়া (জ্যেষ্ঠ আৰক্ষী অধীক্ষক, শিৱসাগৰ), আৰ্যন নাথ (উপ-আৰক্ষী অধীক্ষক, চৰাইদেউ), নিৰীক্ষক হৰিমন পাংগিং (আৰক্ষী ৰেডিঅ' সংস্থা, চৰাইদেউ), উপ-নিৰীক্ষক মানস প্ৰতিম গগৈ (আৰক্ষী ৰেডিঅ' সংস্থা, শিৱসাগৰ), সহকাৰী উপ-নিৰীক্ষক ৰিপুল আহমেদ (আৰক্ষী ৰেডিঅ' সংস্থা, শিৱসাগৰ), সহকাৰী উপ-নিৰীক্ষক মানস প্ৰতিম বৰা (আৰক্ষী ৰেডিঅ' সংস্থা, শিৱসাগৰ), হাবিলদাৰ সঞ্জয় মিলি (আৰক্ষী ৰেডিঅ' সংস্থা, চৰাইদেউ), কনিষ্টবল অংকুৰ সোনোৱাল (আৰক্ষী (দহ পৃষ্ঠাত চাওক)

# ৮৮ কোটি টকাৰ হেৰ'ইন জব্দ গুৱাহাটীত



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী মহানগৰীত জব্দ বৃহৎ পৰিমানৰ হেৰ'ইন। গুৱাহাটী মহানগৰীৰ ছয়মাইলত এছ টি এফ (STF) আৰু আৰক্ষীয়ে চলোৱা এক ড্ৰাগছ বিৰোধী অভিযানত বৃহৎ পৰিমানৰ হেৰ'ইন জব্দ কৰে। ছয়মাইল এলেকাত অভিযান চলাই অভিযানকাৰী বিশেষ দলটোৱে মণিপুৰৰ পৰা সৰবৰাহ কৰা প্ৰায় ৮৮ কোটি টকা মূল্যৰ বৃহৎ পৰিমাণৰ হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, এ পি এছ কল্যাণ পাঠকৰ নেতৃত্বত এটা বিশেষ দলে এই অভিযান চলায়। গুৱাহাটীৰ চচলস্থিত 'ওম ৰেছিডেন্সী' নামৰ এটা ফ্লেটত ড্ৰাগছ সৰবৰাহকাৰী এটাই বাহৰ পাতি আছিল। অভিযানকাৰী দলটোৱে ফ্লেটটোৰ এটা আলমিৰাৰ ভিতৰত সুৰক্ষিতভাৱে ৰখা ৰঙা ৰঙৰ বেগৰ পৰা ১০ কিলোগ্ৰাম ওজনৰ হেৰ'ইনখিনি উদ্ধাৰ কৰে। জব্দ কৰা হেৰ'ইনখিনি মণিপুৰৰ পৰা সৰবৰাহ কৰি গুৱাহাটীলৈ অনা হৈছিল আৰু ইয়াৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য প্ৰায় ৮৮ কোটি টকা বুলি জানিব পৰা গৈছে। এই বৃহৎ অভিযানৰ সময়তে আৰক্ষীয়ে পঞ্জাবৰ কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী হৰদীপ সিং নামৰ সৰবৰাহকাৰীটোক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে বৰ্তমান গ্ৰেপ্তাৰ হোৱা হৰদীপ সিঙক জিম্মাত লৈ ব্যাপক তদন্ত অব্যাহত ৰাখিছে।

# যুৱ সমাজকৰ্মী ৰন্টু ৰঞ্জন কলিতাই কৰিলে দুটাকৈ গৃহ নিৰ্মাণ



ৰঙিলী বাৰ্ত্তাসেৱা- চৰাইদেউ আৰু শিৱসাগৰ জিলাত এইবাৰ সৃষ্টি হোৱা অভূতপূৰ্ব বান পৰিস্থিতিয়ে সমগ্ৰ ৰাজ্যবাসীক স্তব্ধ কৰি তুলিছে। বহু লোকৰ বাবে এনে মহাপ্ৰলয় সদৃশ বান জীৱনত প্ৰথম আৰু এই দুৰ্যোগৰ সময়ত শদিয়াৰ পৰা ধুবুৰীলৈকে সমগ্ৰ অসমৰে বহুলোকে সাহায্যৰ হাত আগবঢ়াইছে। তাৰেই ভিতৰত অন্যতম এগৰাকী সমাজসেৱী ৰন্টু ৰঞ্জন কলিতাই একেৰাহে ১৯ দিন ধৰি ভিতৰুৱা বানপীড়িত অঞ্চলত থাকি সাহায্য প্ৰদান কৰাৰ পিছত লাভ কৰা অভিজ্ঞতাই সমাজখনৰ এক নগ্ন ছবিয়ো উদঙাই দিছে। বানৰ দ্বিতীয় দিনাৰ পৰাই কলিতাই তেওঁৰ সতীৰ্থ লক্ষ্মীনন্দন কলিতা আৰু ৰাজু কলিতাকে ধৰি চুটিগল্প পৃথিৱী আৰু তেওঁলোকৰ বহু ব্যক্তিৰ সৈতে অতি দুৰ্গম আৰু ভিতৰুৱা অঞ্চলসমূহত সোমাই পৰে। তেওঁলোকে দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰী বিশুদ্ধ খোৱাপানী, চাউল, দাইল, আলু, নিমখ, গাখীৰ, বিস্কুট, মেগী, চাবোন, চেম্পু, ফেনাইল, ব্লিচিং পাউদাৰৰ পৰা আৰম্ভ কৰি কঠিয়া, বিচনা চাদৰ, পাটী, মুৰি, বাল্টি, মগ, আঠুৱা আৰু ধূপ আদি বিপুল পৰিমাণে বিতৰণ কৰে। কেৱল শুকান খাদ্য বিতৰণতে আৱদ্ধ নাথাকি প্ৰায় ২০০০ গৰাকী লোকৰ বাবে খিচিৰি-টেঙাৰ ব্যৱস্থা কৰাৰ লগতে জ্যেষ্ঠ নাগৰিকসকলক ব্যক্তিগতভাৱে আৰ্থিক সাহায্যও আগবঢ়ায়। তদুপৰি, নেপালী খুটি অঞ্চলৰ দুটাকৈ গৃহহীন পৰিয়ালক তেওঁ নিজ উদ্যোগত ঘৰো সাজি দিছে। কিন্তু এই দীৰ্ঘদিনীয়া সেৱাৰ যাত্ৰাত তেওঁলোক মুখামুখি হ'বলগীয়া হৈছে বহু তিক্ত আৰু অপ্ৰীতিকৰ পৰিস্থিতিৰ। দিনটো নাখাই-নবৈ, ৰাতিপুৱাৰ পৰা নিশা ১০-১১ বজালৈকে কৰা কঠোৰ পৰিশ্ৰমৰ বিনিময়ত কেতবোৰ গাঁৱত তেওঁলোকে ভীষণ দুৰ্ব্যৱহাৰৰ সন্মুখীন হ'বলগীয়া হৈছে, যিটো অতিকৈ লজ্জাজনক। যিবোৰ অঞ্চলত পানী হোৱাই নাই, তাতো কিছুমান লোকে ৰাস্তাত গাড়ী আগভেটি ধৰি সাহায্য সামগ্ৰী দাবী কৰাৰ দৃশ্য দেখা গৈছে। পানী নোহোৱা ঠাইৰ আৰ্থিকভাৱে স্বাবলম্বী কিছুমান মানুহে দুৰ্গতসকলৰ বাবে অনা সামগ্ৰী কাঢ়ি ল'বলৈ চোঁচা লয়, যাৰ (দহ পৃষ্ঠাত চাওক)

# দুই মন্ত্ৰীৰে বৈঠকৰ অন্তত পথ- অৰ্থনৈতিক অৱৰোধ সাময়িকভাৱে প্ৰত্যাহাৰ টিএমপিকেৰ

ৰঙিলী বাৰ্ত্তাসেৱা- অৰুণাচল প্ৰদেশৰ বিৰুদ্ধে টাকাম মিচিং পৰিণ কৌবাং (টিএমপিকে)ৰ অৰ্থনৈতিক আৰু পথ অৱৰোধৰ কাৰ্যসূচী সাময়িকভাৱে স্থগিত । অসম-অৰুণাচল সীমান্তত সংঘটিত গুলীচালনাৰ ঘটনাৰ পিছতে সংগঠনটোৱে এই প্ৰতিবাদী কাৰ্যসূচীৰ ঘোষণা কৰিছিল ।বিগত দুদিন ধৰি অসম অৰুণাচল সীমান্তত উত্তেজনা অব্যাহত আছিল ।বুধবাৰৰ পৰা বিশ্বনাথ, লখিমপুৰকে সীমান্তৰ বিভিন্ন অঞ্চলত সংগঠনটোৱে অৰ্থনৈতিক অৱৰোধ অব্যাহত ৰাখিছিল । বিশ্বনাথ জিলাৰ গহপুৰৰ ৰাজগড়স্থিত অসম-অৰুণাচল সীমান্তৰ প্ৰৱেশদ্বাৰত বৃহস্পতিবাৰে পুৱাৰে পৰা অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰা হয় । একেদৰে লখিমপুৰৰো ৪ টা স্থানত টিএমপিকেৰ নেতৃত্বত অৰ্থনৈতিক অৱৰোধ অব্যাহত আছিল। অসম চৰকাৰ আৰু অৰুণাচল প্ৰদেশৰ প্ৰতিনিধি দলৰ সৈতে অনুষ্ঠিত ধাৰাবাহিক আৰু ফলপ্ৰসূ আলোচনাৰ অন্তত ছাত্ৰ সংগঠনটোৱে এই সিদ্ধান্ত গ্ৰহণ কৰে।উল্লেখ্য যে ধেমাজি জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ত অসম চৰকাৰৰ সীমান্ত সুৰক্ষা মন্ত্ৰী অতুল বৰা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। সংগঠনটোৰ দাবীসমূহ পূৰণৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছতে সংগঠনটোৱে প্ৰতিবাদী কাৰ্যসূচী স্থগিত ৰখাৰ ঘোষণা কৰে। সংগঠনটোৰ ৩ টা মূল দাবী হৈছে। ৪৮ ঘণ্টাৰ ভিতৰত ঘটনাৰে জড়িত মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰা, কোনো ব্যক্তি বা গোটে আগ্নেয়াস্ত্ৰ লৈ আলোচনাত অংশ ল'ব নোৱাৰিব আৰু অসম-



অৰুণাচল সীমা বিবাদৰ শান্তিপূৰ্ণ আৰু স্থায়ী সমাধান । আনহাতে শান্তিপূৰ্ণ আলোচনাৰ বাবে অতি শীঘ্ৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে সীমামূৰীয়া অঞ্চলসমূহত স্থায়ী শান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবেও টিএমপিকেৰ নেতৃত্বত কেইবাটাও সংগঠনে দাবী জনায় । বৈঠকৰ অন্তত সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত সংঘাত সন্দৰ্ভত দুয়োগৰাকী মন্ত্ৰীয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰাৰ লগতে সংঘাতজৰ্জৰ অঞ্চলটোত কিদৰে শান্তি-শৃংখলা ঘূৰাই আনিব পাৰি, তাৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰে।এই সন্দৰ্ভত মন্ত্ৰী তথা স্থানীয় বিধায়ক ডাঃ পেগুৱে কয় যে অসম চৰকাৰে

( দহ পৃষ্ঠাত চাওক)

# কমনৱেলথ গেমছত ৰূপৰ পদক জয়ী লাভলীনা বৰগোহাঁইক সম্বৰ্ধনা জ্ঞাপন মুখ্যমন্ত্ৰীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গ্লাছগ' কমনৱেলথ গেমছত বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাত ৰূপৰ পদক অৰ্জন কৰি দেশ তথা অসমলৈ গৌৰৱ কঢ়িয়াই অনা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বক্সাৰ লাভলীনা বৰগোহাঁইক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে শুভেচ্ছা আৰু সম্বৰ্ধনা জ্ঞাপন কৰে। বৃহস্পতিবাৰে দিছপুৰৰ লোকসেৱা ভৱনত আয়োজিত এক অনুষ্ঠানত কমনৱেলথ গেমছত প্ৰদৰ্শন কৰা উল্লেখযোগ্য সফলতাৰ বাবে মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা লাভলীনা বৰগোহাঁইক ৩০ লাখ টকাৰ চেক প্ৰদান কৰে ।সম্বৰ্ধনা জ্ঞাপন কৰি মুখ্যমন্ত্ৰী ড°শৰ্মাই আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া মঞ্চত লাভলীনাই প্ৰদৰ্শন কৰা অসাধাৰণ ক্ৰীড়া নৈপুণ্য আৰু দৃঢ় মনোবলৰ শলাগ লয়। আনহাতে, লাভলীনাৰ এই সাফল্য দেশ তথা অসমৰ ক্ৰীড়াক্ষেত্ৰৰ বাবে এক গৌৰৱৰ বিষয় বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয়- লাভলীনাৰ ধাৰাবাহিক সাফল্যই ৰাজ্যৰ যুৱপ্ৰজন্মক

( নপৃষ্ঠাত চাওক)

# সীমান্তৱৰ্তী ৰাইজক শান্তি বৰ্তাই ৰাখিবলৈ আহ্বান মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- অসম-অৰুণাচলৰ সংঘাতে সৃষ্টি কৰা কঠিন পৰিস্থিতিৰ মাজতে সীমান্তৱৰ্তী ৰাইজক শান্তি বৰ্তাই ৰাখিবলৈ আহ্বান জনালে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ধেমাজিত অসম- অৰুণাচল সীমান্তত সৃষ্টি হোৱা পৰিস্থিতিক লৈ উদ্বেগ ব্যক্ত কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কয়, 'অসম আৰু অৰুণাচল প্ৰদেশৰ মাজৰ সম্পৰ্ক কেৱল সীমাৰ মাজত আবদ্ধ নহয়। প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি আমাৰ দুয়োখন ৰাজ্যৰ মানুহে ভাই-ভনীৰ দৰে মৰম, আন্তৰিকতা আৰু পাৰস্পৰিক সন্মানেৰে একেলগে বাস কৰি আহিছে। শেহতীয়া বছৰসমূহত আমি আলোচনা আৰু বন্ধুত্বৰ মাধ্যমেৰে আমাৰ সীমা সম্পৰ্কীয় অধিকাংশ সীমান্ত সমস্যা সমাধান কৰিবলৈ সক্ষম হৈছোঁ। এতিয়া মাত্ৰ ৫২খন গাঁৱক লৈ বিষয়টো বাকী আছে।' আনহাতে দুয়োখন চৰকাৰে একেধৰণৰ বন্ধুত্বপূৰ্ণ আৰু সৌহাৰ্দ্যপূৰ্ণ মনোভাবেৰে আলোচনা অব্যাহত ৰাখি এই বিবাদ সম্পূৰ্ণৰূপে সমাধানৰ বাবে কাম কৰি যাব বুলি জনাই তেওঁ লগতে কয় যে সীমাই কেৱল দুখন ৰাজ্যৰ ভৌগোলিক স্থিতিহে নিৰ্ণয় কৰে, প্ৰতিৱেশীৰ হৃদয়ৰ সম্পৰ্কত প্ৰভাৱ পেলাব নোৱাৰে। গতিকে অসম আৰু অৰুণাচলৰ জনসাধাৰণক শান্তি আৰু সম্প্ৰীতি বজাই ৰাখিবলৈ আন্তৰিক আহ্বান জনাইছোঁ। ইফালে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে অসমৰ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত 'প্ৰিঞ্চিপালছ লাষ্ট ক্লাছ ৩.০' শীৰ্ষক বক্তৃতামালা সম্পন্ন




ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় হনুমান বক্স সূজমল কানৈ মহাবিদ্যালয় (স্বায়ত্বশাসিত)ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ড° হানিফা ৰহমান, মনোবিজ্ঞান বিভাগৰ অধ্যাপিকা উপাসনা দত্ত আৰু সমাজতত্ত্ব বিভাগৰ অধ্যাপিকা সুজাতা সোণোৱালৰ উদ্যোগত অনুষ্ঠিত হোৱা 'প্ৰিঞ্চিপালছ লাষ্ট ক্লাছ-৩.০' উদ্বোধন কৰি বিশিষ্ট কবি, সাহিত্যিক তথা মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱৰ্জিৎ শইকীয়াই এইদৰে কয় যে মানুহে কৰ্মৰ জৰিয়তে সমাজৰ ধাৰ পৰিশোধ কৰিব লাগিব। অধ্যক্ষ ড° শশীকান্ত শইকীয়াই প্ৰিঞ্চিপালছ লাষ্ট ক্লাছৰ জৰিয়তে এনে এক চানেকি থৈ যাব যি ভৱিষ্যতে এক দলিল হৈ ৰ'ব। অধ্যক্ষগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়- মগজুৰ কোষবোৰক যিমানেই কামত লগোৱা হয়, সিমানেই কোষবোৰ শক্তিশালী হয়। যিমানেই এলাহ কৰি কাম কৰাৰ পৰা আতৰ হয়, সিমানেই মগজুৰ কোষবোৰ শুকাই যায়। অধ্যক্ষগৰাকীয়ে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ নেতৃত্বত মহাবিদ্যালয়খনে যি এক নিয়মানুৱৰ্তীতাৰ মাজেৰে আগুৱাই গৈছে তাক ভূয়সী প্ৰশংসা কৰাৰ লগতে অধ্যক্ষ ড° শশীকান্ত শইকীয়াই মাজুলী মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে কৰ্মৰত হৈ থকা সময়ছোৱাত মহাবিদ্যালয়খনত কৰা উন্নয়নৰ কথাও উল্লেখ কৰে। শেষত এটি সুন্দৰ কবিতাই অধ্যক্ষগৰাকীয়ে তেখেতৰ সাৱলীল বক্তব্য সামৰণি মাৰে। অধ্যাপিকা সুজাতা সোণোৱালে আঁত ধৰা

( দহ পৃষ্ঠাত চাওক)

# আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত

'নট এ হিৰো' ছবিখন ফ্লাইং ৰিভাৰ ফিল্মছ, আকাংগা ফিল্ম এছিয়া আৰু ট্ৰেইনট্ৰিপাৰ ফিল্মছৰ যৌথ প্ৰযোজনাত নিৰ্মাণ কৰা হৈছে । পেৰিছস্থিত প্ৰতিষ্ঠান এমএমএম ছেলছে ছবিখনৰ আন্তঃৰাষ্ট্ৰীয় বিক্ৰীৰ দিশটো পৰিচালনা কৰিছে । ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা দুবাৰকৈ লাভ কৰা চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসৰ ছবিত মূলতঃ শৈশৱ, আত্ম-পৰিচয়, কিশোৰ কালৰ পৰা যৌৱনলৈ যোৱাৰ যাত্ৰা আৰু প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্ক প্ৰতিফলিত হয় ।

# অসম আৰক্ষীৰ ১৫

(অধিনায়ক), শুভাশীষ বৰুৱা (আৰক্ষী অধীক্ষক), অমিতাভ বসুমতাৰী (আৰক্ষী অধীক্ষক), সুমন চক্ৰবৰ্তী (আৰক্ষী অধীক্ষক), অকেৰ আলী (উপ-আৰক্ষী অধীক্ষক), ৰিপণ পাল (লেন্সনায়ক), নন্দা ত্ৰিপুৰা (লেন্সনায়ক), সুৰজিৎ মজুমদাৰ আৰু প্ৰবীণ বৰা জ্বাসহকাৰী উপ-পৰিদৰ্শক)। আনহাতে, বিশিষ্ট সেৱাৰ বাবে অগ্নিনিৰ্বাপক বাহিনীৰ ৰাষ্ট্ৰপতি পদক লাভ কৰিছে লীডিং ফায়াৰমেন লোহিত শইকীয়া আৰু সহকাৰী বিষয়া মহম্মদ শাহ আলম শিকদাৰে। ইপিনে, গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষাৰ ক্ষেত্ৰত অসমৰ পৰা পদক লাভকৰা গৰাকী হৈছে প্লাটুন কমাণ্ডাৰ অবিৰম ইছলাৰী।

# বানে সৰ্বস্বান্ত কৰা অঞ্চলত মডেল হাউছিং কলনী নিৰ্মাণৰ চিন্তা-চৰ্চা ৰাজ্য চৰকাৰৰ



ৰঙিলী বাৰ্তাসেৱা- চলিত বৰ্ষত উজনি অসমৰ চাৰিখন জিলাৰ ভয়াৱহ বান বিভীষিকাৰ শেহতীয়া পৰিস্থিতি আৰু চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত বুধবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিছপুৰৰ লোকসেৱা ভৱনত এক সংবাদমেল সম্বোধন কৰে। সংবাদমেলত বানবিধ্বস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাক লৈ চৰকাৰে গ্ৰহণ কৰা তৎকালীন ব্যৱস্থা আৰু দীৰ্ঘম্যাদী ব্যৱস্থা সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। ৰাজ্যৰ বান পৰিস্থিতিৰ তথ্য দাঙি ধৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উল্লেখ কৰে যে ২৫খন জিলাৰ ১০টা ৰাজহ চক্ৰ বানত আক্ৰান্ত হোৱাৰ লগতে ১২ লাখতকৈ অধিক লোক এই বানত আক্ৰান্ত হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে যে প্ৰলয়ংকৰী বানত ইতিমধ্যে ১০১গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে এতিয়াও উজনি অসমত ৪ জিলাৰ পৰিস্থিতি উন্নত হোৱা নাই। শিৱসাগৰ জিলাৰ তিনিটা ৰাজহ চক্ৰ এতিয়াও বানৰ কবলত আছে। আনহাতে ১৫টাকৈ শিবিৰত আছে ৪, ১৮৮ গৰাকী লোক। উল্লেখ্য যে উজনি অসমৰ ৪ জিলাত বানত বিধ্বস্ত হোৱা ৪৯৪টা অংগনবাড়ী কেন্দ্ৰলৈ ২.৫ লাখ টকাৰ আৰ্থিক সাহায্য মুকলি কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ বান পৰিস্থিতিৰ লগতে উজনি অসমত সৃষ্টি হোৱা দুৰ্যোগৰ বিপৰীতে ৰাজ্য চৰকাৰে উদ্ধাৰ আৰু সাহায্য অভিযান কিদৰে আগুৱাই নিছে সেই কথা উল্লেখ কৰে। সংবাদ মেলত মুখ্যমন্ত্ৰীয়ে কয়- বানে বিধ্বস্ত কৰা ৪ জিলাৰ ৬৪, ৮৯১টা পৰিয়ালক ইতিমধ্যে ১৫ হাজাৰ টকাকৈ ৯৭.৩৪ কোটি টকা মোকলাই দিয়া হৈছে। ইয়াৰ লগতে জিলা চাৰিখনৰ চাৰি লাখ পৰিয়ালক ১ আগষ্টত অৰুণোদয়ৰ ধন ২, ৫০০ টকালৈ বৃদ্ধি কৰি প্ৰদান কৰা হৈছে। বানে ক্ষতিগ্ৰস্ত কৰা অঞ্চলত জৰীপ চলোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়- বানত হোৱা ক্ষয়-ক্ষতিৰ মূল্যায়নৰ বাবে ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণে ম'বাইল এপৰ জৰিয়তে ইতিমধ্যে জৰীপৰ কাম আৰম্ভ কৰিছে। এই জৰীপত ৯৬০ গৰাকী প্ৰশিক্ষিত শিক্ষকে ইতিমধ্যে ৮, ৩২৫টা পৰিয়ালৰ জৰীপ সম্পূৰ্ণ কৰিছে। এই জৰীপৰ জৰিয়তে চৰকাৰৰ হাতলৈ অহা তথ্য অনুসৰি এতিয়ালৈ প্ৰায় ১৫০-২০০ কোটি টকাৰ ক্ষয়-ক্ষতি হৈছে। ৯ আগষ্টৰ পৰা আৰম্ভ হোৱা প্ৰথম পৰ্যায়ৰ জৰীপৰ কাম ৩০ আগষ্টত সম্পূৰ্ণ হ'ব। এই জৰীপ সম্পূৰ্ণ (নপৃষ্ঠাত চাওক)

# আদালতত সাক্ষ্য দিবলৈ আহিব ছিংগাপুৰৰ প্ৰবাসী অসমীয়া

ৰঙিলী বাৰ্তাসেৱা- জুবিন গাৰ্গৰ হত্যা গোচৰত অহা ছেপ্টেম্বৰৰ শেষ ভাগত বা অক্টোবৰ মাহৰ প্ৰথম ভাগত আদালতত সাক্ষ্যদান দিবলৈ আহিব ১০জন ছিংগাপুৰস্থিত প্ৰবাসী অসমীয়া। জুবিনক হত্যাৰ সময়ত য়টখনত উপস্থিত থকা এইসকল প্ৰৱাসী অসমীয়াৰ সাক্ষ্য গ্ৰহণ কৰাৰ পাছতেই জুবিন গাৰ্গ হত্যাৰ গোচৰে নতুন গতি লাভ কৰাৰ সম্ভাৱনা আছে। জুবিন গাৰ্গৰ হত্যা গোচৰত এই পৰ্যন্ত ৮৯গৰাকী সাক্ষীয়ে ফাষ্টট্ৰেক আদালতত হাজিৰ হৈ নিজৰ সাক্ষ্যদান কৰিছে। এই কথা প্ৰকাশ কৰিছে জুবিন গাৰ্গৰ হত্যা গোচৰৰ লোক অধিবক্তা জিয়াউল কামাৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত লোক অধিবক্তাগৰাকীয়ে কয় যে জুবিন গাৰ্গ হত্যাৰ মূল গোচৰত ৪৪ দিন পৰ্যন্ত মুঠ ৮৯গৰাকী সাক্ষীৰ সাক্ষ্য লোৱা হৈছে আৰু ৩৯৪জনৰ সাক্ষ্য ল'বলৈ আছে। সকলো সাক্ষীৰ সাক্ষ্য ল'ব নোৱাৰাৰ কথা উল্লেখ কৰি লোক অধিবক্তাগৰাকীয়ে ছিংগাপুৰত থকা সাক্ষীসকলক সাক্ষ্যদানৰ কাৰণে ছেপ্টেম্বৰ মাহৰ শেষৰফালে বা অক্টোবৰ মাহৰ (নপৃষ্ঠাত চাওক)

# অৰুণাচলৰে থকা সীমা বিবাদ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া



ৰঙিলী বাৰ্তাসেৱা- অসম-অৰুণাচল সীমান্তত সংঘটিত হোৱা গুলীচালনাৰ ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। শেহতীয়াকৈ অৰুণাচলীৰ গুলীচালনাৰ ঘটনাক দুখজনক আখ্যা দি মুখ্যমন্ত্ৰীয়ে সীমা সমস্যা সমাধানৰ বাবে পুনৰ কমিটী গঠন কৰা হ'ব বুলি উল্লেখ কৰে। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয়, ঘটনাটো দুখজনক । আমি আমাৰ সীমা সমস্যা ইতিমধ্যে প্ৰায় সকলো ক্ষেত্ৰতে নিষ্পত্তি কৰিছোঁ। কেৱল পাঁচটা ক্ষেত্ৰত এতিয়াও কিছুমান বিবাদ আছে । কেবিনেটত আমি আমাৰ আঞ্চলিক কমিটী পুনৰ সক্ৰিয় কৰিছোঁ। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়- আমি সংঘাত নিবিচাৰোঁ, সমস্যাৰ সমাধান বিচাৰোঁ। শীঘ্ৰেই অৰুণাচলৰ সৈতে থকা সমস্যাৰ সমাধান হ'ব। ইয়াৰ বাবে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুক সকলো কথা অৱগত কৰা হৈছে আৰু অৰুণাচলৰ মুখ্যমন্ত্ৰীয়ে তদন্তৰ জৰিয়তে দোষীক উচিত শাস্তি দিয়া হ'ব বুলিও অৱগত কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়- সীমান্তত থকা সৰহসংখ্যক গাঁৱৰ ক্ষেত্ৰত অৰুণাচলৰ লগত সীমা সমস্যা সমাধান কৰা হৈছে। মাত্ৰ ৫টা অঞ্চলৰ ৫২খন গাঁও এতিয়া (নপৃষ্ঠাত চাওক)

# বান সাহায্যৰ নামত ধন সংগ্ৰহ কৰা দেশৰ ৭২ ইউটিউবাৰ ৰাজ্য চৰকাৰৰ নজৰত



ৰঙিলী বাৰ্তাসেৱা- উজনি অসমৰ চাৰিখন জিলাৰ ভয়াৱহ বান বিভীষিকাৰ শেহতীয়া পৰিস্থিতি আৰু চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত বুধবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিছপুৰৰ লোক সেৱা ভৱনত এক সংবাদমেল সম্বোধন কৰে। অসমৰ জটিল বান পৰিস্থিতিৰ সময়ত বান সাহায্য দিবলৈ কোন কোন ইউটিউবাৰে ধন সংগ্ৰহ কৰিছে, ৰাজ্য চৰকাৰে তাৰ তথ্য মজুত কৰিছে। অকল ইউটিউবাৰেই নহয়, কিমানটা সামাজিক সংস্থাই কিমান ধন সংগ্ৰহ কৰিছে, সংগৃহীত ধন প্ৰকৃততে কিমান খৰচ কৰিছে, এই সকলোবোৰৰ ওপৰত নজৰ ৰাখিছে ৰাজ্যৰ গৃহ বিভাগে। সংবাদ মেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয়- বানৰ সুবিধা লৈ দেশত ৭২ ইউটিউবাৰে ধন সংগ্ৰহ কৰিছে। গতিকে এই সকলোবোৰৰ ওপৰত আমি নজৰ ৰাখিছোঁ। এনে ইউটিউবাৰৰ মাজৰ পৰা সময় গগৈ নামৰ ইউটিউবাৰজনে সঠিকভাৱে ব্যয় কৰিছে ধন। কিন্তু ৰাজ্যৰ বাহিৰৰ কিছুমান ইউটিউবাৰে বৃহৎসংখ্যক ধন সংগ্ৰহ কৰিছে। এই ধনৰাশি শিৱসাগৰ-চৰাইদেউৰ বন্যাৰ্তৰ ওচৰত আহি পাইছে নে নাই, সেই বিষয়টো চৰকাৰে বিশেষভাৱে চাব। অৱশ্যে বহুতে ইতিমধ্যে সহায় আৰম্ভ কৰিছে। কিন্তু যিসকলে কৰা নাই, সেই বিষয় পৰীক্ষা কৰা হ'ব। বহুতে ২ কোটি, ৫০ লাখ আদি পৰিমাণৰ ধন খৰচ কৰাৰ কথা কৈছে। এই ইউটিউবাৰসকলক সোধা হ'ব যে তেওঁলোকে ক'ত কিমান ধন ব্যয় কৰিছে বা বন্যাৰ্তক দিছে। ইতিমধ্যে আৰক্ষীয়ে এই ইউটিউবাৰসকলক চিনাক্ত কৰি আছে। (নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড় জিলা সমিতিৰ সাংস্কৃতিক মহাসভা অসমৰ দ্বায়িত্বভাৰ আৰু শপতগ্ৰহণ অনুষ্ঠান



ৰঙিলী বাৰ্তাসেৱা- অসমৰ অন্যতম অগ্ৰণী ৰাজ্যিক সংগঠন সাংস্কৃতিক মহাসভা অসমৰ নৱ-নিৰ্বাচিত ডিব্ৰুগড় জিলা সমিতিৰ দ্বায়িত্ব ভাৰ আৰু শপতগ্ৰহণ অনুষ্ঠান মৰাণত অনুষ্ঠিত হৈ যায়। জিলা সমিতি খনৰ নৱ-নিৰ্বাচিত বিষয়ববীয়া সকলক সাংস্কৃতিক মহাসভা অসমৰ সংবিধানৰ প্ৰতি আনুগত্য স্বীকাৰৰ শপত বাক্য পাঠ কৰোৱায় কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি বিনোদ কুমাৰ বড়াৰ লগতে সদ্য বিদায়ী সভাপতি প্ৰমোদ দত্তই। বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত এই শপতগ্ৰহণ অনুষ্ঠানত জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সাংস্কৃতিক মহাসভা, অসমৰ গুণমুগ্ধ ব্যক্তি সকলৰ লগতে মৰাণ আৰু খোৱাঙ অঞ্চলৰ বিভিন্ন গৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। দ্বায়িত্ব ভাৰ আৰু শপতগ্ৰহণ অনুষ্ঠানৰ পিছতেই নৱগঠিত জিলা সমিতিৰ প্ৰথমখন (নপৃষ্ঠাত চাওক)

# স্বাধীনতাৰ আশী বছৰ পাছতো আমি স্বাধীনদেশৰে নাগৰীক নে !



নমিতা দাস, শুৱালকুছি

১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে আমাৰ দেশ মাতৃয়ে ইংৰাজৰ শাসনৰ পৰা মুক্ত হয় ২৬ জানুৱাৰীৰ দিনা সম্পূৰ্ণ ৰূপে শাসন ভাৰ গ্ৰহণ কৰিলে তাৰো আজি আশী টা বছৰ হল। দেশ স্বাধীন হল স্বাধীন দেশৰ নাগৰিক হলোঁ আমি।ইংৰাজৰ কবলৰ পৰা দেশ, জাতি, ভাষা, সাহিত্য ৰক্ষাৰ হেতু হাঁহি হাঁহি প্ৰাণ আহুতি দিবলৈ কুণ্ঠাবোধ নকৰিলে দেশভক্ত সকলে নিজৰ প্ৰাণ বলিদান দি শ্বহীদ হ'ল। সেই বীৰ শ্বহীদ সকলক শতকৌটি প্ৰণাম জনালোঁ।

দেশৰ স্বাধীনতাই আমাক দায়িত্ব আৰু আমাৰ কৰ্তব্য সোঁৱৰাই দিলে। স্বাধীন দেশৰ নাগৰিক হিচাপে দেশৰ প্ৰতি আমাৰো কৰণীয় আছে। দেশৰ সংবিধানৰ প্ৰতি অনুগত্য মানি চলাটো আমাৰো দায়িত্ব আৰু কৰ্তব্য ।প্ৰতিজন নাগৰীকে নিজৰ দায়িত্ব বুজি দেশৰ পৰা সামাজিক দূৰ্নীতি, অপসংস্কৃতি, অন্ধঅনুকৰণ, দূৰ কৰা অতি প্ৰয়োজন ।উঠি অহা প্ৰজন্ম হৈছে আমাৰ দেশৰ ভৱিষ্যত গতিকে সমাজৰ সামাজিক দায়বদ্ধতাৰ লগতে নীতি আদৰ্শ মানি চলিব যাতে পাৰে তাৰ বাবে নিজৰ সন্তানৰ আগত নিজেই আদৰ্শ স্বৰূপ হিচাপে ঠিয় হোৱাৰ অতিকে প্ৰয়োজন। দেশৰ বাবে শ্বহীদ হোৱা বীৰশ্বহীদ সকলৰ জীৱন সংগ্ৰামৰ কাহিনী সন্তান সকলৰ আগত অবগত কৰোৱাই সিহঁতক শুদ্ধ সবল দুৰ্নীতি মুক্ত সমাজ এখন গঢ়ি তোলাৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱাটো আমাৰেই দায়িত্ব আৰু কৰ্তব্যৰ ভিতৰত পৰে। আমি দেশৰ কাৰণে কিমান খিনি কৰিব পাৰিছো মুল্যায়ণ কৰাৰ প্ৰয়োজন। ৰাষ্ট্ৰিয় সংগীত গায় কেইগৰাকীমান স্বাধীনতা সংগ্ৰামীৰ পৰিয়ালক মাতি আনি এখন সভা পাতি পতাকা উত্তোলন কৰিলেই সকলো কৰ্ত্তব্য শেষ হোৱা নুবুজায় ।দেশৰ বাবে দহৰ বাবে জাতি ধৰ্ম নিৰ্বিশেষে সকলো মিলি অক্যবদ্ধ হৈ সংহতি বৰ্তাই ৰাখিব পাৰিব লাগিব । আমাৰ একনিষ্ঠ কৰ্মই যাতে দেশৰ প্ৰতিজন নাগৰিকক অনুপ্ৰাণিত কৰে ।ভৱিষ্যত সন্তান সকলেও যাতে সেই দায়িত্ব আৰু কৰ্তব্য বুজি পায় তাৰ প্ৰতিও লক্ষ্য দিয়াৰ প্ৰয়োজন আছে ।

স্বাধীন দেশত ইংৰাজৰ কবলৰ পৰা মুক্ত হৈ প্ৰকৃততে আমি এতিয়াও স্বাধীন নে ! প্ৰশ্ন উদয় হয়, দিনে দিনে সকলো ফালে ৰাজনীতি, সমাজনীতি অন্যায় অবিচাৰে গ্ৰাস কৰিছে। শিক্ষিত শিক্ষাৰ্থী সকলে নিজৰ দক্ষতা আনুসৰী সংস্থাপন নোপোৱাৰ বাবে হীনমন্যতাত ভোগী সমাজ বিৰোধী কামত লিপ্ত হব লগাও হৈছে। থলুৱা শিল্পৰ অবদমীত প্ৰভাবে ৰাজ্য খনৰ লোক সকলৰ মাজত অন্ন, বস্ত্ৰ, বাসস্থানৰ অভাবৰ বাবে চৰকাৰী সাহাৰ্য্যৰ প্ৰয়োজনে পৰোক্ষ ভাবে আকৌ নিজৰ স্বাধীনতা হেৰুৱাৰ উপক্ৰম হোৱা পৰিলক্ষিত হয় । চাকৰি, ব্যৱসায় সকলো ফালেই অনিয়মৰ এটি মোটা অংক, সেই অংকটোৰ হিচাপ যোনে সঠিককৈ কৰিব পাৰে তেওঁৰেই ৰাজত্ব। দক্ষতা, আৰু প্ৰকৃত শিক্ষাৰ কোনো প্ৰয়োজন নাই। সেই সকলো সুবিধা তেওঁ পায় যিয়ে নিপুণতাৰে অন্যায়ৰ লগত একত্ৰিত হ'ব জানে তেওঁ সমাজৰ সৰ্বে-সৰ্বা । আমি স্বাধীন হলো জানো -! দেশৰ উচ্চশিক্ষাৰ বৃত্তি মুলক পৰীক্ষা বোৰতো মোটা অংক মিলিত হৈ থাকে ।এয়াই দেশৰ শিক্ষা ব্যৱস্থাৰ ফোপোলা স্বৰূপ ।

আকৌ মেল মিটিং বোৰত যদিও নাৰীক সন্মান জনোৱা হয় প্ৰকৃততে সেয়া কিমান সচাঁ ভুক্ত ভুগি সকলে জানে। এগৰাকী অকল সৰীয়া মহিলাই পদে পদে লাঞ্চিত হয়। যৌনতাৰ বলী হয় শিশুৰ পৰা বৃদ্ধ লৈ কোনো সাৰি যাব নোৱাৰে। স্বাধীনতাৰ আশী (৮০) বছৰ পাছতো স্বামী গৃহত যৌতুকৰ বলি হব লগা হয়। তেনে ক্ষেত্ৰত নাৰী এগৰাকীয়ে নিজৰ সুৰক্ষাৰ কথা ভাবিব কেনেকৈ সেয়াও এক জতিল প্ৰশ্ন। তথাপি শিক্ষা, সংস্কৃতি, খেলা-ধূলা সকলো ক্ষেত্ৰতে মহিলা সকলে নিজৰ জীৱনৰ নিৰাপত্তাৰ লগতে দেশৰ নাম জিলিকাই তোলাৰ বাবে কোনো ক্ৰুটি কৰা নাই ।কিন্ত নিৰাপত্তাৰ হীনমন্যতাৰ বাবে বহু মহিলাই নিজৰ অপৰিসীম জ্ঞান থকাৰ পিছতো পিছ হুহকি আহিব লগা হয় । তেতিয়াই যেন সেই স্বাধীনতা খিনি খৰ্ব হোৱা যেন অনুভৱ হয় ।

# খাদ্য প্ৰস্তুতকৰণ উদ্যোগৰ দক্ষ বৃত্তি

ড° বুলজিৎ বুঢ়াগোহাঁই
কেৰিয়াৰ পৰামৰ্শদাতা,আজাৰ



ভাৰত এখন কৃষিপ্ৰধান দেশ। কিন্তু কেৱল কৃষি উৎপাদন বৃদ্ধি কৰিলেই অৰ্থনৈতিক সমৃদ্ধি নিশ্চিত নহয়; উৎপাদিত সামগ্ৰীত মূল্য সংযোজন কৰিলেহে কৃষক, উদ্যোগ আৰু উপভোক্তা-সকলো পক্ষ উপকৃত হয়। এই লক্ষ্য পূৰণৰ অন্যতম শক্তিশালী মাধ্যম হৈছে খাদ্য প্ৰস্তুতকৰণ উদ্যোগ। কৃষিজ আৰু পশুজাত কেঁচা সামগ্ৰীক বৈজ্ঞানিক পদ্ধতিৰে প্ৰস্তুত কৰি সুৰক্ষিত, পুষ্টিকৰ, অধিক দিন সংৰক্ষণযোগ্য আৰু বজাৰোপযোগী খাদ্যলৈ ৰূপান্তৰ কৰাটো এই উদ্যোগৰ মূল উদ্দেশ্য।

বৰ্তমান নগৰীকৰণ, ব্যস্ত জীৱনশৈলী, স্বাস্থ্য সচেতনতা আৰু সংগঠিত খুচুৰা বজাৰৰ সম্প্ৰসাৰণৰ ফলত ৰেডি-টু-ইট (আৰ টি ই), ৰেডি-টু-কুক (আৰ টি চি), ফ্ৰ'জেন ফুড, অৰ্গেনিক ফুড, পেকেজড ফুড আৰু স্বাস্থ্যকৰ পানীয়ৰ চাহিদা দ্ৰুতগতিত বৃদ্ধি পাইছে। ফলস্বৰূপে এই খণ্ডত দক্ষ কৰ্মীৰ প্ৰয়োজনীয়তাও উল্লেখযোগ্যভাৱে বৃদ্ধি পাইছে, যাৰ বাবে ই আজিৰ যুৱক-যুৱতীসকলৰ বাবে এক সম্ভাৱনাময় দক্ষতাভিত্তিক কেৰিয়াৰ হিচাপে আত্মপ্ৰকাশ কৰিছে।

এই খণ্ডৰ পৰিসৰ অতি বহল। ইয়াত চাউল, ঘেঁহু, ফলমূল, শাক-পাচলি, গাখীৰ, মাছ, মাংস, হাঁহ-কুকুৰা, মছলা, খাব পৰা তেল, চাহ, কফি, পানীয়, বেকাৰী সামগ্ৰী, মিঠাই আৰু বিভিন্ন পেকেটজাত খাদ্য উৎপাদন অন্তৰ্ভুক্ত। ইয়াৰ জৰিয়তে খাদ্য অপচয় হ্ৰাস, কৃষকৰ আয় বৃদ্ধি, খাদ্য সুৰক্ষা নিশ্চিতকৰণ আৰু বৃহৎ পৰিসৰত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি হয়।

এই ক্ষেত্ৰৰ অন্যতম জনপ্ৰিয় বৃত্তি হৈছে ফুড প্ৰচেছিং টেকনিচিয়ান। তেওঁলোকে উৎপাদন যন্ত্ৰপাতি পৰিচালনা, খাদ্য প্ৰস্তুতকৰণ, পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখা, উৎপাদন তত্বাৱধান আৰু গুণগত মান নিশ্চিত কৰাৰ দায়িত্ব পালন কৰে। খাদ্য উৎপাদন, পানীয়, ফ্ৰ'জেন ফুড আৰু দুগ্ধ উদ্যোগত এই পদৰ বিশেষ চাহিদা আছে।

ডেইৰী প্ৰচেছিং টেকনিচিয়ানে গাখীৰ সংগ্ৰহ, পেষ্টুৰাইজেচন, পনিৰ, (সাতপৃষ্ঠাত চাওক)

# অসহায়



চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি

চৌদিশে মানুহৰ চিঞৰ-বাখৰ...
মানুহবোৰ সচাকৈ আজি অসহায়...
লাচিতৰ দেশৰ মানুহবোৰ...
জল তাণ্ডৱৰ আগত ধাৰাশায়...
এজনী কণমানি শিশুৱে...
নিজ পিতৃক-মাতৃক আজি...
পানীত মাজত ওপঙি থকা দেখা পায়...
এগৰাকীৰ পত্নীৰ আজি...
শিৰৰ সেন্দুৰ সানি দিয়া আপোনজনৰ..
মৃতদেহ দেখি কান্দি কান্দি পাৰ পোৱা নাই...
এজন ককাদেউতাকে পাবনে আৰু...
নাতিয়েকৰ সেই মৰম লগা মাত ঘুৰাই...
কিজানি সময়ত আকৌ ওভতি আহি কব...
জল তাণ্ডৱৰ আগত আমিবোৰে হাৰি যোৱা নাই...
এয়া এক অভিনয় মাত্ৰ আছিল আমাৰ...
আপোনবোৰক এনেদৰে ভাঙি পৰা দেখি...
আমিবোৰে ভালদৰে অভিনয়ত ভাও লব পৰা নাই...।।
আমাৰ জীৱনৰ নাটৰূপী চৰিত্ৰবোৰে...
যদি আপোনালোকৰ হৃদয়ত ঠাই বিচাৰি পায়...
তেন্তে সকলো দেশবাসি একেলগে মিলি...
বন্তি এগছি হলেও নিজ নিজ ঠাইত দিবাহি জ্বলাই...।।

# অসমৰ বানপানীঃ সাহায্যৰ সিপাৰে এক কৰুণ বাস্তৱ আৰু কিছু অনুত্তৰিত প্ৰশ্ন



**শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী**

প্ৰতি বছৰে অসমলৈ বানপানী আহে আৰু লগত লৈ আহে ধ্বংসলীলা। বানপানীৰ সময়ত কিছু চাউল, দাইল, তেল, নিমখ আৰু কাপোৰ-কানিৰ সাহায্য বা ওখ ঠাই আৰু মথাউৰিত আশ্ৰয় ল'বলৈ পোৱাটোৱেই দুৰ্দশাগ্ৰস্ত ৰাইজৰ বাবে সকলো নহয়। সেয়া কেৱল এটা সাময়িক সকাহহে। প্ৰকৃততে বানপানী নামি যোৱাৰ পিছতহে দুৰ্ভগীয়া বানপীড়িতসকলৰ আচল সংগ্ৰাম আৰু যাতনা আৰম্ভ হয়, যিটো সংবাদ মাধ্যম বা চৰকাৰী পৰিসংখ্যাত প্ৰায়েই প্ৰকাশ নাপায়।

বানপানীৰ সময়ত আটাইতকৈ বেছি কষ্ট হয় ঘৰত থকা বৃদ্ধ, শিশু আৰু বেমাৰী মানুহখিনিৰ। চাৰিওফালে পানী থকাৰ বাবে তেওঁলোকে সময়ত চিকিৎসা বা ঔষধ-পাতি নাপায়। আশ্ৰয় শিবিৰসমূহতো তেওঁলোকৰ বাবে পঁন্যতম সু-ব্যৱস্থা নাথাকে। তাতকৈও ডাঙৰ কথা, বানৰ কৰাল গ্ৰাসত পৰি যিসকলে নিজৰ স্বামী, পত্নী, সন্তান বা পিতৃ-মাতৃক চিৰদিনৰ বাবে হেৰুৱাব লগা হ'ল, তেওঁলোকৰ সেই চিৰস্থায়ী মানসিক আঘাত চাউল-দাইলৰ পেকেটেৰে কেতিয়াও উপশম কৰিব নোৱাৰি।

মানুহে জীৱনৰ সমগ্ৰ উপাৰ্জন আৰু তেজ-ঘাম একাকাৰ কৰি এটা সপোনৰ ধুনীয়া ঘৰ সাজে। কিন্তু পানী শুকোৱাৰ পিছত যেতিয়া সমগ্ৰ ঘৰখন কেৱল বোকা, লেতেৰা আৱৰ্জনা আৰু গেলা-পচা দুৰ্গন্ধই আগুৰি ধৰে, তেতিয়া সেই ধ্বংসস্তূপৰ মাজত থিয় হৈ মানুহে যি মানসিক আৰু আৰ্থিক যাতনা ভোগ কৰিবলগীয়া হয়, তাক অনুভৱ কৰিবলৈ কাৰো আহৰি নাই।

কেৱল মানসিক যাতনাতে এই দুৰ্দশা শেষ নহয়। বানপানীৰ পাছত অঞ্চলভেদে মহামাৰীৰ সৃষ্টি হয়। দুষিত পানী খোৱাৰ বাবে ডায়েৰীয়া, কলেৰা, টাইফইড আদি পেটৰ বেমাৰ আৰু বোকাপানীৰ সংস্পৰ্শত আহি ভয়াৱহ চৰ্মৰোগ বা ছালৰ বেমাৰ বিয়পি পৰে। পৰৱৰ্তী সময়ত বোকা শুকাই ধূলি হোৱাৰ বাবে আৰু দুৰ্গন্ধৰ বাবে শ্বাস-প্ৰশ্বাস আৰু হাঁপানীৰ দৰে ৰোগত মানুহ আক্ৰান্ত হয়। ইয়াৰ সমান্তৰালভাৱে বানপানীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা জীৱনটো স্তব্ধ কৰি পেলায়। দীৰ্ঘদিন ধৰি বিদ্যালয়সমূহ বন্ধ হৈ থাকে বা আশ্ৰয় শিবিৰলৈ ৰূপান্তৰিত হয়। হঠাত অহা পানীত ছাত্ৰ-ছাত্ৰীৰ কিতাপ-পত্ৰ, নথি-পত্ৰ আদি সকলো নষ্ট হৈ যায়, যাৰ ফলত তেওঁলোকে শৈক্ষিক দিশত বহুখিনি পিছপৰি ৰয়।

গতিকে, বানপানী কেৱল অসমৰ এক বাৰ্ষিক দুৰ্যোগ নহয়, ই ৰাজ্যখনৰ বাবে এক ভয়াৱহ অভিশাপ। এই স্থায়ী সমস্যাটোৰ সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসমৰ বানপানী আৰু গৰাখহনীয়াক অতি শীঘ্ৰে

*(বাৰপৃষ্ঠাত চাওক)*

## শোক

**প্ৰভাত বণিয়া**



পীড়িতৰ জীৱন যাতনাৰ চকুলো
নিষ্প্ৰাণ গধুলিৰ ৰং
চলাহি কথাত বিসৰ্জন বজাৰ আৰু পথাৰ
প্ৰতাৰিত দৰিদ্ৰ জনগণ
ভেটি-মাটি উচন
প্ৰৱঞ্চক দালালৰ দপদপনি
অট্টহাসত কপি উঠে শুকান কৰ্কশ
পদুলি
সপোন মষিমূৰ
অস্তিত্ব ধূলিস্যাৎ।

# খাদ্য প্ৰস্তুতকৰণ উদ্যোগৰ দক্ষ

মাখন, আইচক্ৰীম আদি দুগ্ধজাত সামগ্ৰী উৎপাদন কৰে। আনহাতে বেকাৰী টেকনিচিয়ানে ৰুটি, কেক, বিস্কুট, কুকিজ আৰু পেষ্ট্ৰি তৈয়াৰ কৰি আধুনিক বেকাৰী ব্যৱস্থাৰ এক অপৰিহাৰ্য অংশ হিচাপে কাম কৰে।

অসমৰ দৰে কৃষিপ্ৰধান ৰাজ্যত ফ্ৰুট এণ্ড ভেজিটেবল প্ৰচেছিং টেকনিচিয়ানৰ বিশেষ গুৰুত্ব আছে। তেওঁলোকে ফলমূল আৰু শাক-পাচলিক জাম, জেলী, আচাৰ, ফলৰ ৰস, স্কোৱাচ আৰু ডিহাইড্ৰেটেড সামগ্ৰীলৈ ৰূপান্তৰ কৰি অপচয় হ্ৰাস কৰে। একেদৰে স্পাইচ প্ৰচেছিং টেকনিচিয়ানে মছলা পৰিষ্কাৰ, শুকুওৱা, পিহা, মিহলোৱা আৰু পেকেজিঙৰ কাম সম্পন্ন কৰে।

অসমৰ অৰ্থনীতিৰ অন্যতম ভিত্তি চাহ উদ্যোগতো দক্ষ কৰ্মীৰ প্ৰয়োজন যথেষ্ট। টী প্ৰচেছিং টেকনিচিয়ানে উইথাৰিং, ৰোলিং, ফাৰ্মেণ্টেচন, ড্ৰাইং, ছৰ্টিং, গ্ৰেডিং আৰু পেকেজিঙৰ জৰিয়তে কেঁচা চাহপাতক উচ্চমানৰ চাহলৈ ৰূপান্তৰিত কৰে। ইয়াৰ উপৰিও কফি প্ৰচেছিং টেকনিচিয়ান আৰু বেভাৰেজ প্ৰডাকচন টেকনিচিয়ানে কফি, ফলৰ ৰস, মিনাৰেল ৱাটাৰ আদি পানীয় উৎপাদনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

মাংস, মাছ আৰু হাঁহ-কুকুৰা প্ৰক্ৰিয়াকৰণ খণ্ডতো বৰ্তমান চাহিদা বৃদ্ধি পাইছে। মিট, ফিছ আৰু পোল্‌ট্ৰী প্ৰচেছিং টেকনিচিয়ানসকলে স্বচ্ছ উৎপাদন, পেকেজিং, শীতল সংৰক্ষণ আৰু গুণগত নিয়ন্ত্ৰণৰ দায়িত্ব পালন কৰে। বিশেষকৈ ৰপ্তানিমুখী খাদ্য উদ্যোগত এই বৃত্তিসমূহৰ গুৰুত্ব অধিক।

আধুনিক খাদ্য উদ্যোগত উৎপাদনৰ লগতে গুণগত মান আৰু খাদ্য সুৰক্ষা সমানে গুৰুত্বপূৰ্ণ। কোৱালিটি কণ্ট্ৰোল টেকনিচিয়ান, লেবৰেটৰী টেকনিচিয়ান আৰু ফুড ছেফটি টেকনিচিয়ানে আৰ্দ্ৰতা, পি এইচ, অণুজীৱ, শ্বেল্‌ফ লাইফ আদি পৰীক্ষা কৰি খাদ্যৰ গুণাগুণ নিশ্চিত কৰে। লগতে হেজাৰ্ড এনালাইছিছ আৰু ক্ৰিটিকেল কণ্ট্ৰোল পইণ্ট (এইচএচিপি), গুড মেনুফেকচাৰিং প্ৰেক্টিচেছ (জিএমপি) আদি মানদণ্ড অনুসৰণ কৰাও তেওঁলোকৰ অন্যতম দায়িত্ব।

ইয়াৰ উপৰিও পেকেজিং টেকনিচিয়ান, কল্ড ষ্টৰেজ টেকনিচিয়ান, কল্ড চেইন টেকনিচিয়ান, মেচিন মেইণ্টেনেন্স টেকনিচিয়ান আৰু ৱেৰহাউচ এণ্ড ইনভেণ্টৰী এচিষ্টেণ্টে উৎপাদনৰ পৰা সংৰক্ষণ, পৰিবহণ আৰু বিতৰণলৈকে সমগ্ৰ যোগান শৃংখল সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰে।

কেৱল উৎপাদনতেই নহয়, ফুড চেলছ এণ্ড মাৰ্কেটিং এক্সিকিউটিভ আৰু এক্সপৰ্ট ডকুমেণ্টেশ্বন এছিষ্টেণ্ট হিচাপেও যথেষ্ট কেৰিয়াৰৰ সুযোগ আছে। দেশীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত খাদ্য সামগ্ৰীৰ বিপণন, বিক্ৰী আৰু ৰপ্তানিত তেওঁলোকৰ ভূমিকা বিশেষ গুৰুত্বপূৰ্ণ।

এই ক্ষেত্ৰত সফল হ'বলৈ খাদ্য সুৰক্ষা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, গুণগত নিয়ন্ত্ৰণ, যন্ত্ৰ পৰিচালনা, কম্পিউটাৰ জ্ঞান, দলীয় কাম, যোগাযোগ দক্ষতা আৰু সমস্যা সমাধানৰ ক্ষমতা অপৰিহাৰ্য। অটোমেচন, স্মাৰ্ট মেনুফেকচাৰিং আৰু ডিজিটেল গুণগত মান নিৰীক্ষণৰ জ্ঞান থাকিলে নিয়োগৰ সম্ভাৱনা আৰু বৃদ্ধি পায়।

দশম বা উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হোৱাৰ পাছত আইটিআই আৰু পলিটেকনিকৰ পৰা ডিপ্ল'মা ইন ফুড প্ৰচেছিং, ফুড টেকন'লজি, ডেইৰী টেকন'লজি কৰি তথা এপ্ৰেণ্টিছশ্বিপ প্ৰগ্ৰেম, পি এম কে ভি ৱাই দক্ষতা পাঠ্যক্ৰম বা এন এছ ডি চিৰ বিভিন্ন দক্ষতা বিকাশৰ প্ৰশিক্ষণৰ জৰিয়তে খাদ্য প্ৰস্তুতকৰণ ক্ষেত্ৰত কেৰিয়াৰ আৰম্ভ কৰিব পাৰি। অভিজ্ঞতা লাভ কৰাৰ পিছত চুপাৰভাইজাৰ, প্ৰডাকচন এক্সিকিউটিভ, কোৱালিটি এক্সিকিউটিভ বা প্লাণ্ট মেনেজাৰলৈ পদোন্নতিৰো সুযোগ থাকে।

অভিজ্ঞতা আৰু মূলধন সঞ্চয় কৰাৰ পিছত বহুতে নিজাকৈ বেকাৰী, ডেইৰী ইউনিট, আচাৰ, মছলা, ফল প্ৰক্ৰিয়াকৰণ ইউনিট, পেকেজড ড্ৰিংকিং ৱাটাৰ প্লাণ্ট, স্নেকছ উৎপাদন ইউনিট অথবা অৰ্গেনিক ফুড ব্ৰেণ্ড স্থাপন কৰি সফল উদ্যোগপতি হিচাপে আত্মপ্ৰকাশ কৰিছে। অসমৰ আনাৰস, কঁঠাল, কল, জলকীয়া, আদা, হলধি, চাহ, বাঁহগাজ আদি থলুৱা সম্পদৰ মূল্য সংযোজনৰ জৰিয়তে ক্ষুদ্ৰ আৰু মধ্যম উদ্যোগ গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনা আছে।

স্বাস্থ্যসন্মত খাদ্যৰ চাহিদা, কল্ড চেইন লজিষ্টিকছ, উন্নত পেকেজিং প্ৰযুক্তি, কঠোৰ খাদ্য সুৰক্ষা মানদণ্ড, অটোমেচন, কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰবটিক্সৰ ব্যৱহাৰে এই খণ্ডক অধিক আধুনিক আৰু প্ৰতিযোগিতামূলক কৰি তুলিছে। কৃষিভিত্তিক অৰ্থনীতি শক্তিশালী কৰাৰ ক্ষেত্ৰতো ইয়াৰ ভূমিকা আগন্তুক সময়ত অধিক গুৰুত্বপূৰ্ণ হ'ব।

খাদ্য প্ৰস্তুতকৰণ উদ্যোগ কেৱল চাকৰিৰ ক্ষেত্ৰ নহয়; ই দক্ষতা, উদ্যোগিতা আৰু স্বনিয়োজনৰ এক শক্তিশালী মাধ্যম। উপযুক্ত প্ৰশিক্ষণ, আধুনিক প্ৰযুক্তিৰ জ্ঞান, গুণগত মানৰ প্ৰতি দায়বদ্ধতা আৰু উদ্ভাৱনী চিন্তাধাৰাৰে এই খণ্ডত এক সফল, সুস্থিৰ আৰু সন্মানজনক কেৰিয়াৰ গঢ়ি তোলাটো সম্পূৰ্ণৰূপে সম্ভৱ। কেৰিয়াৰ বিষয়ৰ বিভিন্ন কথা কোনো আগ্ৰহী শিক্ষাৰ্থীয়ে জানিব বিচাৰে, তেন্তে প্ৰত্যেক শনিবাৰে বিয়লি ৬-৯ বজাৰ ভিতৰত ফোন (৯৪৩৫১৮৮৩০)ত যোগাযোগ কৰিব পাৰে।

# স্বাধীনতাৰ ৮০ বছৰত ভাৰতীয় নাৰীৰ যাত্ৰা



কানুপ্ৰিয়া ডেকা,হাউলী, বৰপেটা

**যোৰাখণ্ডৰ পৰা...**

স্বাধীনতাৰ ৮০ বছৰৰ এই যাত্ৰাত ভাৰতীয় নাৰীয়ে বহু দূৰ আগুৱাই আহিছে। এসময়ত যি নাৰী ঘৰৰ চাৰিবেৰৰ মাজতে সীমাবদ্ধ আছিল, আজি সেই নাৰীয়েই দেশৰ সীমান্তৰ পৰা মহাকাশলৈকে নিজৰ উপস্থিতি সাব্যস্ত কৰিছে। তেওঁ বিদ্যালয়ৰ শিক্ষয়িত্ৰী, চিকিৎসালয়ৰ চিকিৎসক, আদালতৰ ন্যায়াধীশ, বিজ্ঞানাগাৰৰ বিজ্ঞানী, খেলপথাৰৰ বিজয়ী, সংসদৰ প্ৰতিনিধি আৰু উদ্যোগৰ নেতৃত্বদাত্ৰী।

কিন্তু এই যাত্ৰাৰ সৰ্বশ্ৰেষ্ঠ সফলতা তেতিয়াহে হ'ব, যেতিয়া ভাৰতৰ প্ৰতিগৰাকী ছোৱালীয়ে নিজৰ সপোন দেখাৰ আৰু সেই সপোন পূৰণ কৰাৰ সমান সুযোগ লাভ কৰিব। এখন দেশৰ উন্নতিৰ পৰিমাপ কেৱল ৰাস্তা, দলং বা বৃহৎ অট্টালিকাৰে নহয়; সেই দেশৰ নাৰী কিমান স্বাধীন, কিমান সুৰক্ষিত আৰু কিমান সন্মানিত, তাৰ ওপৰতো নিৰ্ভৰ কৰে।

স্বাধীনতাৰ ৮০ বছৰৰ এই পবিত্ৰ ক্ষণত আমি সেয়ে সেইসকল নাৰীক স্মৰণ কৰিব লাগিব, যিসকলে নিজৰ ত্যাগ আৰু সাহসেৰে দেশৰ পথ মুকলি কৰিছিল। লগতে আজিৰ নৱপ্ৰজন্মৰ প্ৰতিগৰাকী ছোৱালীৰ বাবে এনে এখন ভাৰত গঢ়াৰ সংকল্প ল'ব লাগিব, য'ত কোনো ছোৱালীয়ে নিজৰ সপোনক কেৱল ছোৱালী হোৱা বাবে ত্যাগ কৰিবলগীয়া নহয়।

ভাৰতীয় নাৰীৰ যাত্ৰা এতিয়াও অব্যাহত আছে। এই যাত্ৰা সংগ্ৰামৰ পৰা সফলতালৈ, পৰাধীনতাৰ পৰা স্বাধীনতালৈ আৰু নীৰৱতাৰ পৰা আত্মবিশ্বাসী কণ্ঠলৈ এক দীঘলীয়া যাত্ৰা। স্বাধীনতাৰ ৮০ বছৰত ভাৰতীয় নাৰীয়ে প্ৰমাণ কৰিছে-সুযোগ পালে নাৰী কেৱল নিজৰ জীৱনেই সলনি কৰিব নোৱাৰে, তেওঁ এখন সমাজ, এখন দেশ আৰু এটা সম্পূৰ্ণ প্ৰজন্মৰ ভৱিষ্যৎ সলনি কৰিব পাৰে। সেয়েহে নাৰীৰ সন্মান, স্বাধীনতা আৰু সমঅধিকাৰ নিশ্চিত কৰাই হ'ব এখন শক্তিশালী, সমৃদ্ধ আৰু প্ৰকৃত স্বাধীন ভাৰত গঢ়াৰ অন্যতম মূল চাবিকাঠি।

স্বাধীনতাৰ এই দীঘলীয়া পথত ভাৰতীয় নাৰীৰ সফলতা নিঃসন্দেহে গৌৰৱৰ বিষয়। কিন্তু এই সফলতাৰ মাজতো আমি পাহৰি যাব নোৱাৰোঁ যে ভাৰতৰ প্ৰতিখন গাঁও, প্ৰতিখন চহৰ আৰু প্ৰতিটো পৰিয়ালৰ নাৰী এতিয়াও একে ধৰণৰ সুযোগ লাভ কৰা নাই। কোনোবাই উচ্চ শিক্ষাৰ সুযোগ পাইছে, কোনোবাই নিজৰ পছন্দৰ কেৰিয়াৰ বাছি লৈছে, কোনোবাই ব্যৱসায় কৰি স্বাৱলম্বী হৈছে; আনহাতে আন কোনোবাই এতিয়াও দৰিদ্ৰতা, অশিক্ষা আৰু সামাজিক বাধাৰ মাজত নিজৰ সপোনবোৰ বুকুতেই সামৰি ৰাখিবলগীয়া হৈছে। সেয়েহে নাৰী সবলীকৰণৰ প্ৰকৃত অৰ্থ তেতিয়াহে সফল হ'ব, যেতিয়া সমাজৰ শেষৰগৰাকী নাৰীগৰাকীয়েও নিজৰ অধিকাৰ আৰু সম্ভাৱনাৰ বিষয়ে সচেতন হ'ব।

আজিৰ নৱপ্ৰজন্মৰ ছোৱালীবোৰে আগৰ প্ৰজন্মৰ তুলনাত অধিক স্বাধীনতা আৰু সুযোগ লাভ কৰিছে। কিন্তু স্বাধীনতাৰ সৈতে দায়িত্বও আহে। শিক্ষিত আৰু সচেতন নাৰী কেৱল নিজৰ ভৱিষ্যৎ গঢ়ি নোতোলে, তেওঁ পৰিয়াল আৰু সমাজকো আগুৱাই নিয়ে। এগৰাকী শিক্ষিত মাতৃয়ে এটা প্ৰজন্মক শিক্ষিত কৰিব পাৰে, এগৰাকী স্বাৱলম্বী নাৰীয়ে এটা পৰিয়ালক আৰ্থিকভাৱে শক্তিশালী কৰিব পাৰে আৰু এগৰাকী সাহসী নাৰীয়ে আন বহু নাৰীক নিজৰ অধিকাৰৰ বাবে মাত মাতিবলৈ অনুপ্ৰাণিত কৰিব পাৰে।

সেয়েহে নাৰী শিক্ষাক অধিক গুৰুত্ব দিয়াটো সময়ৰ দাবী। এখন ছোৱালীৰ হাতত যদি শিক্ষাৰ পোহৰ তুলি দিয়া হয়, তেন্তে সেই পোহৰ কেৱল তাইৰ জীৱনতে সীমাবদ্ধ নাথাকে; ই তাইৰ পৰিয়াল, সমাজ আৰু দেশৰ ভৱিষ্যতকো আলোকিত কৰে। শিক্ষাৰ লগতে নাৰীক নিজৰ সিদ্ধান্ত নিজে লোৱাৰ অধিকাৰ, নিজৰ প্ৰতিভা প্ৰকাশ কৰাৰ সুযোগ আৰু নিজৰ জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ স্বাধীনতা দিব লাগিব।

স্বাধীনতাৰ ৮০ বছৰত ভাৰতীয় নাৰীৰ সাফল্যৰ কাহিনীয়ে আমাক এটা গুৰুত্বপূৰ্ণ শিক্ষা দিয়ে-কোনো সমাজৰ প্ৰকৃত উন্নতি তেতিয়াহে সম্ভৱ, যেতিয়া সেই সমাজে নাৰীৰ শক্তিক স্বীকাৰ কৰে। নাৰীক পিছপৰা বুলি নহয়, দেশ গঢ়াৰ সমান অংশীদাৰ হিচাপে চাব লাগিব। নাৰীৰ কণ্ঠক গুৰুত্ব দিব লাগিব, তেওঁৰ মতামতক সন্মান কৰিব লাগিব আৰু তেওঁৰ সপোনক আগুৱাই নিয়াত সহায় কৰিব লাগিব।

আজিৰ ভাৰতত নাৰীয়ে কেৱল নিজৰ অধিকাৰৰ বাবে যুঁজাই নহয়, দেশৰ উন্নয়নৰ প্ৰতিটো ক্ষেত্ৰতে নিজৰ অৱদান আগবঢ়াইছে। গাঁৱৰ আত্মসহায়ক গোটৰ পৰা আৰম্ভ কৰি মহাকাশ অভিযানলৈকে, বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ পৰা সংসদলৈকে, খেলপথাৰৰ পৰা ব্যৱসায়িক প্ৰতিষ্ঠানলৈকে-সকলোতে ভাৰতীয় নাৰীৰ উপস্থিতি স্পষ্ট। এই পৰিৱৰ্তন স্বাধীন ভাৰতৰ এক অন্যতম বৃহৎ সফলতা।

তথাপি আমাৰ লক্ষ্য কেৱল কিছুমান সফল নাৰীৰ কাহিনী উদযাপন কৰা নহয়। আমাৰ লক্ষ্য হ'ব লাগিব এনে এখন সমাজ গঢ়া, য'ত প্ৰতিগৰাকী নাৰীয়ে নিজৰ সামৰ্থ্য অনুসৰি আগবাঢ়িব পাৰে। কোনো ছোৱালীৰ সপোন যেন দৰিদ্ৰতা, লিংগ বৈষম্য বা সামাজিক বাধাৰ বাবে থমকি নৰয়। কোনো নাৰীয়ে যেন নিজৰ অধিকাৰৰ বাবে একেলগে অকলশৰীয়া যুঁজ দিবলগীয়া নহয়। এই দায়িত্ব কেৱল চৰকাৰৰ নহয়; পৰিয়াল, শিক্ষানুষ্ঠান, সমাজ আৰু প্ৰতিগৰাকী নাগৰিকৰো।


স্বাধীনতাৰ ৮০ বছৰৰ এই সন্ধিক্ষণত আমি অতীতলৈ ঘূৰি চালে দেখোঁ-ভাৰতীয় নাৰীয়ে দীঘলীয়া আৰু কঠিন পথ অতিক্ৰম কৰি আজিৰ স্থানত উপনীত হৈছে। কিন্তু আগন্তুক ২০, ৩০ বা ৫০ বছৰৰ ভাৰত কেনেকুৱা হ'ব, সেয়া আজিৰ আমাৰ চিন্তা আৰু কৰ্মৰ ওপৰত নিৰ্ভৰ কৰিব। আমি এনে এখন ভাৰত গঢ়িব লাগিব, য'ত নাৰীৰ সাফল্য কোনো ব্যতিক্ৰম নহয়, বৰঞ্চ সমাজৰ স্বাভাৱিক ছবি হয়।

ভাৰতৰ স্বাধীনতাৰ কাহিনী নাৰীৰ অবিহনে কেতিয়াও সম্পূৰ্ণ নহয়। স্বাধীনতা সংগ্ৰামৰ পৰা আজিৰ আধুনিক ভাৰতলৈকে নাৰীয়ে দেশৰ ইতিহাসত নিজৰ এক অমৰ স্থান সৃষ্টি কৰিছে। তেওঁ কেতিয়াবা সংগ্ৰামী, কেতিয়াবা মাতৃ, কেতিয়াবা শিক্ষয়িত্ৰী, কেতিয়াবা বিজ্ঞানী, কেতিয়াবা সৈনিক আৰু কেতিয়াবা এগৰাকী সফল উদ্যোগী হিচাপে দেশৰ সেৱা কৰিছে।

স্বাধীনতাৰ ৮০ বছৰৰ এই গৌৰৱময় ক্ষণত আমাৰ সংকল্প হওক-ভাৰতৰ প্ৰতিগৰাকী নাৰীৰ সন্মান, সুৰক্ষা, শিক্ষা আৰু সমঅধিকাৰ নিশ্চিত কৰা। কাৰণ নাৰী আগবাঢ়িলে পৰিয়াল আগবাঢ়ে, পৰিয়াল আগবাঢ়িলে সমাজ আগবাঢ়ে আৰু সমাজ আগবাঢ়িলে দেশ আগবাঢ়ে।

নাৰী শক্তিশালী হ'লে ভাৰত শক্তিশালী হ'ব। নাৰী স্বাধীন হ'লে স্বাধীনতাৰ অৰ্থ অধিক গভীৰ হ'ব। আৰু যিদিনা ভাৰতৰ প্ৰতিগৰাকী নাৰীয়ে মূৰ তুলি নিজৰ সপোনৰ দিশে আগবাঢ়িব পাৰিব, সেইদিনাহে স্বাধীনতাৰ ৮০ বছৰৰ যাত্ৰা প্ৰকৃত অৰ্থত সাৰ্থক হ'ব।

# আইতা



ৰাজলক্ষ্মী বৰঠাকুৰ, দেৰগাঁও

তোমাৰ কোলাতেই শিকিছিলোঁ
মৰমৰ প্ৰথম ভাষা,
তোমাৰ হাঁহিতেই বিচাৰিছিলোঁ
জীৱনৰ মিঠা আশা।
ৰাতিপুৱাৰ প্ৰাৰ্থনাৰ সুৰত জাগি উঠিছিল ঘৰ,
তোমাৰ আশীৰ্বাদৰ ছাঁতদূৰ হৈছিল সকলো ভয়।
তোমাৰ হাতৰ ভাতৰ সোৱাদ
আজিও পাহৰিব নোৱাৰোঁ,
তোমাৰ মৰমৰ প্ৰতিটো মুহূৰ্ত
হৃদয়ত সযতনে সাঁচি ৰাখোঁ।
আজি তুমি কাষত নাই,
তথাপিও আছা প্ৰতিটো স্মৃতিত,
আছা প্ৰতিটো প্ৰাৰ্থনাত,
আছা মোৰ প্ৰতিটো হৃদস্পন্দনত।
আকাশৰ উজ্জ্বল তৰাবোৰৰ মাজত
তোমাকেই যেন বিচাৰি ফুৰোঁ,
হয়তো দূৰৰ পৰা আজিও
মোৰ বাবে আশীৰ্বাদ কৰি আছা।
আইতা,
তুমি নথকা শূন্যতাইমোক প্ৰতিদিনে কন্দুৱায়,
কিন্তু তোমাৰ শিক্ষা, মৰম আৰু আশীৰ্বাদ
মোৰ জীৱনৰ পথ সদায় আলোকিত কৰি যায়।
তুমি মোৰ জীৱনৰ চিৰদিনৰমৰম, সাহস আৰু অনুপ্ৰেৰণা।
শান্তিত থাকা, মোৰ মৰমৰ আইতা।

## কমনৱেলথ গেমছত

ক্ৰীড়াৰ ক্ষেত্ৰত আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰিছে। কঠোৰ পৰিশ্ৰম, অধ্যাৱয়, আত্মবিশ্বাসেৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সফলতা অৰ্জন কৰা লাভলীনা অসমৰ যুৱ ক্ৰীড়াবিদসকলৰ বাবে এক আদৰ্শ। আগন্তুক দিনতো লাভলীনাই বক্সিং ৰিঙত দৰ্শনীয় প্ৰদৰ্শন অব্যাহত ৰাখি দেশৰ বাবে অধিক সন্মান কঢ়িয়াই আনিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। লাভলীনা বৰগোহাঁয়ে মুখ্যমন্ত্ৰীক কমনৱেলথ গেমছৰ স্মাৰক হিচাপে ভাৰতীয় দলৰ দুটা জাৰ্জী উপহাৰ স্বৰূপে প্ৰদান কৰে। এই সম্বৰ্ধনা কাৰ্যসূচীত ক্ৰীড়ামন্ত্ৰী বিশ্বজিৎ দৈমাৰী, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ড° কে কে দ্বিবেদী আৰু ক্ৰীড়া বিভাগৰ বিশেষ সচিব কে জে হিলালী উপস্থিত থাকে।

## সীমান্তৱৰ্তী ৰাইজক

বক্তব্যক আদৰণি জনাই কয় যে অসম আৰু অৰুণাচল প্ৰদেশৰ মাজত ইতিহাস, বন্ধুত্ব আৰু ভাতৃত্ববোধৰ গভীৰ সম্পৰ্ক আছে। দুয়োখন ৰাজ্যৰ মাজত দেখা দিয়া সমস্যাসমূহ আলাপ-আলোচনা তথা পাৰস্পৰিক বুজাবুজিৰে সমাধান কৰিব লাগে বুলি মত ব্যক্ত কৰি তেওঁ লগতে অসম আৰু অৰুণাচল প্ৰদেশৰ দুয়োখন ৰাজ্যৰ জনসাধাৰণক শান্তি, সম্প্ৰীতি আৰু পাৰস্পৰিক সন্মান বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। মতানৈক্যই দুয়োখন ৰাজ্যৰ জনসাধাৰণক একত্ৰিত কৰি ৰখা শক্তিশালী সম্পৰ্ক যেন কোনো কাৰণতে ব্যাহত নহয় তাৰ বাবেও সকলোকে সচেতন হ'বলৈ কয় চুবুৰীয়া ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে। শান্তিপূৰ্ণ উপায়েৰে সকলো সমস্যা সমাধানৰ পোষকতা কৰি মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে দুয়োখন ৰাজ্যৰ ৰাইজক শান্তি বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

## আদালতত সাক্ষ্য দিবলৈ

প্ৰথম ভাগত মতাৰ সম্ভাৱনা আছে বুলি কয়। ইফালে সিদ্ধাৰ্থ শৰ্মাৰ মহাবীৰ একুৱা অবৈধভাৱে খুলি চলাই থকাৰ বিৰুদ্ধে আদালতত দাখিল কৰা এখন আবেদন আদালতে অহা ১৮ আগষ্টত শুনানিৰ বাবে ধাৰ্য কৰে। এই সন্দৰ্ভত অধিবক্তাগৰাকীয়ে কয় যে যিহেতু সিদ্ধাৰ্থ শৰ্মা আৰু তেওঁৰ সহযোগীসকলৰ অধিবক্তাসকল আদালতত উপস্থিত আছে আৰু তেওঁলোকে জানে যে মহাবীৰ একুৱা আদালতৰ পূৰ্বৰ নিৰ্দেশনা অনুসৰি জব্দ হৈ আছে। তেওঁলোকে নিজেই মহাবীৰ একুৱা জব্দ হৈ থকা কথাটো জনাৰ পিছতো আদালতৰ নিৰ্দেশনা মানি পানীৰ ফেক্টৰীটো বন্ধ ৰাখিব লাগিছিল। আমি আদালতৰ নিৰ্দেশনা কঠোৰভাৱে মানি মহাবীৰ একুৱা বন্ধ ৰাখিবলৈ আদালতত আবেদন জনাইছোঁ। অহা ১৮ আগষ্টত আবেদনৰ শুনানি সম্পন্ন হ'ব।

## বান সাহায্যৰ নামত ধন

মুখ্যমন্ত্ৰীয়ে ইয়াকো উল্লেখ কৰে যে যিসকল ইউটিউবাৰে প্ৰকৃততে বন্যাৰ্তক সহায় কৰিছে, তেনে শুদ্ধভাৱে সহায় কৰাসকলক চৰকাৰে সন্মানিত কৰিব। দৰাচলতে চৰকাৰে ইউটিউবাৰসকলৰ ধন ব্যয়ক লৈ তদন্ত কৰিব খোজা নাই। তেওঁলোকক যাতে সন্মান জনাব পাৰে, এই প্ৰক্ৰিয়াহে আৰম্ভ কৰিব বিচাৰিছে। যিসকলে ভাল কাম কৰিছে, তেওঁলোকক অন্ততঃ এখন গামোচা পিন্ধাই সন্মান জনোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে কয়- কোনে কাক সহায় কৰিছে, সেইবোৰ এতিয়া ৰীলতে আবদ্ধ। চৰকাৰে এছডিআৰএফ, চক্ৰ বিষয়াৰ পৰা প্ৰতিবেদন সংগ্ৰহ কৰিব আৰু তেতিয়াহে গম পোৱা যাব কোনে কাক সহায় কৰিছে। যিসকলে বান সাহায্যৰ নামত ধন সংগ্ৰহ কৰি জমা দিয়া নাই অথবা বন্যাৰ্তক দিয়া নাই, তেওঁলোকৰ ওপৰতো নিশ্চিতভাৱে নজৰ ৰখা হ'ব।

## ডিব্ৰুগড় জিলা সমিতিৰ

কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। উক্ত সভাত প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰাৰ লগতে মৃত্যু হোৱা জ্ঞাত-অজ্ঞাত সকলোৱে আত্মাৰ সদগতি কামনা কৰি মৌন প্ৰাৰ্থনা কৰা হয়। কাৰ্যনিৰ্বাহক সভাত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে, আগন্তুক দিনবোৰত জিলা ভিত্তিত সাংগঠনিক সমাৰোহ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে বিত্তীয় দিশৰ ওপৰতো কেতবোৰ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ৮ চেপ্টেম্বৰত সামৰণি পৰিব লগীয়া সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী সামৰণি অনুষ্ঠান উদযাপনৰ বাবে এখনি সমিতি গঠন কৰা হয় বুলি জানিবলৈ দিছে জিলা সমিতিৰ প্ৰচাৰ সম্পাদক আৰিফা বেগমে।

## বানে সৰ্বস্বান্ত কৰা অঞ্চলত মডেল

হোৱাৰ পাছতে বন্যাৰ্তসকলে জৰীপৰ ওপৰত অভাৱ-অভিযোগ দাখিল কৰিব পাৰিব। ভুলকৈ যদি বানে ক্ষতি নকৰা পৰিয়ালৰ নাম এই তালিকাত অন্তৰ্ভুক্ত হৈছে, সেই অভিযোগো ৰাইজে প্ৰদান কৰিব পাৰিব। সমগ্ৰ প্ৰক্ৰিয়াটোৰ পুনৰীক্ষণৰ বাবে অহা ১ ছেপ্টেম্বৰৰ পৰা ১৫ ছেপ্টেম্বৰলৈ দ্বৈত পৰীক্ষণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ইয়াৰ জৰিয়তে প্ৰথম পৰ্যায়ৰ জৰীপত বৈ যোৱা ভুল-ত্ৰুটিসমূহ শুদ্ধ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে ইয়াকো স্পষ্ট কৰে যে এই জৰীপৰ যাতে কোনোধৰণৰ ত্ৰুটি বৈ নাযায়, বৈষম্যৰ সৃষ্টি নহয়, তাৰ বাবে অন্য জিলাৰ বিষয়াকো গুণোৎসৱৰ দৰে জৰীপৰ কামত নিয়োজিত কৰা হ'ব। মুখ্যমন্ত্ৰীৰ মতে, এই বানত প্ৰায় এহাজাৰ কোটি টকাৰ ক্ষয়-ক্ষতিৰ সম্ভাৱনা আছে। এনে ক্ষতিৰ পাছতো ৰাজ্য চৰকাৰে শিৱসাগৰ আৰু চৰাইদেউক নতুন ৰূপত সজাই তোলাৰ বাবে পৰিকল্পনা হাতত লৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশ্বাস দিছে যে ক্ষতি হোৱা প্ৰতিটো পৰিয়ালক সাহায্যৰ বাবে যি পুঁজিৰ প্ৰয়োজন হ'ব, সেয়া কেন্দ্ৰীয় চৰকাৰে আবণ্টন দিব। সেয়েহে জৰীপৰ প্ৰক্ৰিয়া সঠিক কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে বিশেষ গুৰুত্ব দিছে। ইফালে মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে যে বানত সৰ্বাধিক ক্ষতি হোৱা নেপালীখুঁটি, মাজগাঁও, বামুণপুখুৰী, কমলাবস্তি আদি এলেকাত বন্যাৰ্তক দীৰ্ঘম্যাদী আঁচনিৰ জৰিয়তে সহায় কৰাৰ এক চিন্তা-চৰ্চা কৰিছে ৰাজ্য চৰকাৰে। ইয়াৰ বাবে সম্পূৰ্ণৰূপে ঘৰ-বাৰী ধ্বংস হৈ যোৱা অঞ্চলসমূহত ৰাজ্য চৰকাৰে মডেল হাউছিং কলনী নিৰ্মাণৰ চিন্তা-চৰ্চা কৰিছে। আনহাতে যিবোৰ অঞ্চলত বৃহৎ পৰিমাণৰ গো-ধনৰ ক্ষতি হৈছে, তাত দুগ্ধ উৎপাদন কেন্দ্ৰ গঢ়ি তোলাবো পৰিকল্পনা হাতত লোৱা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই বানত বিধ্বস্ত হোৱা চাৰি জিলাৰ বেংকৰ ঋণ মাফ আৰু বীমাৰ ধন লাভৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰা বুলি উল্লেখ কৰি কয়- বন্যাৰ্ত ৰাইজে ৩০ আগষ্টৰ ভিতৰত ইন্সুৰেঞ্চৰ মীমাংসাৰ বাবে তেওঁলোকৰ দাবীসমূহ দাখিল কৰক। লগতে ৩০ আগষ্টৰ ভিতৰতে বেংকৰ পৰা ঋণ লোবাসকলেও মনিটৰিয়ামৰ বাবে আবেদন কৰক। মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত তথ্য দাঙি ধৰি কয়- এই মুহূৰ্তলৈকে ১,৭০৩গৰাকী ব্যক্তিয়ে বীমাৰ ৯২ কোটি টকা দাবী কৰিছে। ইন্সুৰেঞ্চ কোম্পানীসমূহেও প্ৰায় ১, ৭০৩টা দাবীৰ মীমাংসা সম্পূৰ্ণ কৰিছে। মই শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাটৰ ৰাইজক আহ্বান জনাম- তেওঁলোকে যাতে ইন্সুৰেঞ্চৰ ক্লেইম যিমান সোনকালে পাৰে সিমান সোনকালে কৰক। এতিয়ালৈকে বেংকত ২, ২৭, ৯৯৩ গৰাকী লোকৰ ঋণ আছে আৰু ৩১৯গৰাকী ঋণ গ্ৰহণ কৰোঁতাই মনিটৰিয়ামৰ বাবে আবেদন জনাইছে আৰু এই আটাইকেইখন আবেদন বেংকে গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে বানে ক্ষতি কৰা ৪ জিলাত ২০ আগষ্টৰ পূৰ্বে প্ৰতিটো নামঘৰলৈ ১.৫০ লাখ টকা মুকলি কৰি দিয়া হ'ব বুলিও জানিবলৈ দিয়ে। ভাদ মাহৰ নাম-প্ৰসংগ যাতে নামঘৰসমূহে সুচাৰুৰূপে অনুষ্ঠিত কৰিব পাৰে, তাৰ বাবে এই ধনৰাশি মোকলাই দিয়া হ'ব। একেদৰে বান পৰিস্থিতি নিয়ন্ত্ৰণলৈ অহা জিলাসমূহত ১৫ আগষ্টৰ পিছতে সকলো বিদ্যালয় পাঠদানৰ উপযোগী কৰি তোলাৰ লক্ষ্য লোৱা হৈছে বুলি উল্লেখ কৰে মুখ্যমন্ত্ৰীয়ে। তেওঁ কয়- ৰাজ্য চৰকাৰে ইতিমধ্যে ৭৯৩খন বিদ্যালয়লৈ ২ লাখ টকাকৈ আগবঢ়াইছে। ইয়াৰে শিৱসাগৰ জিলাৰ ৫৫০খন বিদ্যালয়ৰ বাবে মুঠ ১১ কোটি টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। আনহাতে চৰাইদেউ জিলাত ক্ষতিগ্ৰস্ত হোৱা ১১১খন বিদ্যালয়লৈ আগবঢ়োৱা হৈছে ২.২২ কোটি টকা। যোৰহাটত ক্ষতিগ্ৰস্ত হোৱা ২৯খন বিদ্যালয়লৈ আগবঢ়োৱা হৈছে ৫৮ লাখ টকা। আনহাতে গোলাঘাট জিলাত ক্ষতিগ্ৰস্ত হোৱা ১০৩খন বিদ্যালয়লৈ আগবঢ়োৱা হৈছে ২.০৬ কোটি টকা। মুখ্যমন্ত্ৰীয়ে উজনিৰ ৪ জিলাৰ ৪৯৪টা অংগনবাড়ী কেন্দ্ৰক ২ লাখ টকাৰ পৰা ২.৫ লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে এই অংগনবাড়ী কেন্দ্ৰসমূহ সকলো প্ৰকাৰে পূৰ্বৰ দৰে কৰি তোলাৰ বাবে প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলিও উল্লেখ কৰে। ৪৯৪টা অংগনবাড়ী কেন্দ্ৰৰ ভিতৰত শিৱসাগৰৰ ৩৫০টা কেন্দ্ৰক ৮.৫১ কোটি টকা, চৰাইদেউৰ ১৫টা কেন্দ্ৰক ২.২৪ কোটি টকা, যোৰহাটৰ ৩৭টা কেন্দ্ৰক ২৮ লাখ টকা আৰু গোলাঘাটৰ ১২টা কেন্দ্ৰক ২৫.৫ লাখ টকা আগবঢ়োৱা হৈছে।

## অৰুণাচলৰে থকা সীমা বিবাদ

সমাধানৰ বাবে ৰৈ আছে। সীমান্ত উন্নয়ন বিভাগে দিয়া তথ্য অনুসৰি ১২৩খন গাঁও ৭১খন গাঁৱক লৈ সীমা সমস্যা সমাধান হৈছে। মাত্ৰ ৫২খন গাঁৱক লৈহে সমস্যা আছে। এইকেইখন গাঁৱৰো সমস্যা সমাধানৰ দিশে আগবঢ়া হৈছে। ৰাজ্য চৰকাৰে অতি সোনকালে ইয়াক সমাধান কৰিবলৈ সক্ষম হ'ব। মুখ্যমন্ত্ৰীয়ে কয়-যি ৫টা অঞ্চলত সংঘাত আছে, সেই ৫টা অঞ্চলৰ বাবে অসম আৰু অৰুণাচলে ইতিমধ্যে গঠন কৰিছে ৰিজিঅ'নেল কমিটী। ৫টা অঞ্চলৰ বাবে ৰাজ্য চৰকাৰৰ এজনকৈ কেবিনেট মন্ত্ৰীক লৈ একোখনকৈ ৰিজিঅ'নেল কমিটী গঠন কৰা হৈছে। একেদৰে অৰুণাচল চৰকাৰেও এই কমিটী গঠন কৰিছে। অৰুণাচল আৰু অসমৰ নিৰ্বাচনৰ বাবে যোৱা এক-ডেৰ বছৰ এই কমিটীকেইখনে সক্ৰিয়ভাৱে কাম কৰিব পৰা নাছিল। এতিয়া চৰকাৰে কমিটীকেইখনক সক্ৰিয় কৰি তুলিব। কালি ধেমাজি জিলাৰ যি অঞ্চলত গণ্ডগোলৰ সৃষ্টি হ'ল, সেই অঞ্চলটোও অমীমাংসিত হোৱা অঞ্চল। যিবোৰ অঞ্চলত সীমা সমস্যাৰ সমাধান হৈছে, তাত ছাৰ্ভে অৱ ইণ্ডিয়াই ইতিমধ্যে এই অঞ্চলবোৰত স্থায়ী পীলাৰ স্থাপন কৰিছে। যাৰ বাবে এই অঞ্চলসমূহত এতিয়া সংঘাত নাই। সংঘাত চলি থকা অঞ্চলসমূহত অহা এবছৰ কাম কৰিলে এই সমস্যাসমূহো সমাধান হ'ব। উল্লেখ্য যে অসম-অৰুণাচল সীমান্তৱৰ্তী ধেমাজি জিলাৰ গোগামুখৰ মিংমাং বদতি অঞ্চলত অসমীয়াৰ ওপৰত অৰুণাচলী দুৰ্বৃত্তই নিৰ্বিচাৰে গুলীচালনা কৰিছিল। যাৰ ফলত ৮জনকৈ লোক গুৰুতৰভাৱে আহত হয়। ইফালে বিষয়টোক লৈ সৃষ্টি হোৱা বিতৰ্কৰ পাছতে সকলো দিশ আলোচনাৰ বাবে ইটানগৰত উপস্থিত হৈছে মন্ত্ৰী ডাঃ ৰণোজ পেগু। মন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত কয় যে অৰুণাচলৰ তৰফৰ পৰা চলা গুলীচালনাৰ উচিত তদন্ত হ'ব বুলি ইতিমধ্যে মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে জানিবলৈ দিছে। তেওঁ কয়- ধেমাজি জিলাৰ সীমান্তত থকা বদতি অসমৰ গাঁও আৰু সীমান্তৰ সিপাৰে থকা গাঁওখন হৈছে অৰুণাচলৰ হিমে গাঁও। পূৰ্বে হিমে গাঁও অসমৰ সীমান্ততে আছিল যদিও সীমা সমস্যাৰ মীমাংসাৰ সময়ত গাঁওখন অৰুণাচলৰ অন্তৰ্গত হয়। আনহাতে আন কেইবাখনো অৰুণাচলৰ গাঁও সমস্যা সমাধানৰ সময়ত অসমত অন্তৰ্ভুক্ত হৈছে। ৰিজিঅ'নেল কমিটীৰ সিদ্ধান্ত অনুসৰি সীমা নিৰ্ধাৰণ কৰা হৈছে। এতিয়া প্ৰক্ৰিয়া অনুসৰি সীমাসমূহ চূড়ান্ত কৰি পীলাৰ বহুৱাব লাগে। এই প্ৰক্ৰিয়াটো আগুৱাই নিয়াৰ বাবে দুয়োখন চৰকাৰে আলোচনা আৰম্ভ কৰিব।

# অসম আৰক্ষীৰ ৭২ বিষয়া জোৱানলৈ

ৰেডিঅ' সংস্থা, চৰাইদেউ), উপ-হাবিলদাৰ মানস হাতীবৰুৱা (চৰাইদেউ জিলা আৰক্ষী), অগ্নিনিৰ্বাপক জোৱান অনুজ বৰা (শিৱসাগৰ), অগ্নিনিৰ্বাপক জোৱান মনোজ চৌধুৰী (শিৱসাগৰ), অগ্নিনিৰ্বাপক জোৱান আচিফ আহমেদ (শিৱসাগৰগ্ৰ, জৰুৰীকালীন প্ৰতিকাৰী জ্ঞানদীপ নেওগ (শিৱসাগৰ), অগ্নিনিৰ্বাপক জোৱান কুমাৰ বেগন (শিৱসাগৰ), জৰুৰীকালীন প্ৰতিকাৰী দেৱিছন চুটীয়া (শিৱসাগৰ), অগ্ৰণী অগ্নিনিৰ্বাপক জোৱান ভদ্ৰেশ্বৰ তেৰণ (কাৰ্বি আংলংগ্ৰ, প্ৰতিকাৰী দলৰ অধিনায়ক হেমকান্ত বৰা (অসম), জৰুৰীকালীন প্ৰাধিকাৰী কৌস্তভমণি পাটৰ (কাৰ্বি আংলং), জৰুৰীকালীন প্ৰধিকাৰী আফং ৰংহাং (কাৰ্বি আংলং), জৰুৰীকালীন প্ৰধিকাৰী ৰাজীৱ ভৰালী (শিৱসাগৰ), জৰুৰীকালীন প্ৰতিকাৰী সুৰেন ওৱাং (শিৱসাগৰ), করুণাকান্ত বৰ্মন (জিলা কাৰাগাৰ, কোকৰাঝাৰ)। ইফালে, সাধাৰণ কৰ্তব্যত অসাধাৰণ কৃতিত্বৰ বাবে মুঠ ৩৫ গৰাকীক এইবাৰ মুখ্যমন্ত্ৰীৰ আৰক্ষী পদক প্ৰদান কৰা হৈছে। এই আৰক্ষী পদকপ্ৰাপকসকল হৈছে ক্ৰমে- অখিলেশ কুমাৰ সিং (আৰক্ষী সঞ্চালক, আইন-শৃংখলা শাখা, অসম), পৰিন্দ্ৰ কুমাৰ নাথ (জ্যেষ্ঠ আৰক্ষী অধীক্ষক, ভিজিলেঞ্চ, গুৱাহাটী), দেৱাশিস শৰ্মা (সেনাধ্যক্ষ, ১২ নং অসম আৰক্ষী বাহিনী, জামুগুৰিহাট), লীনা দলে (জ্যেষ্ঠ আৰক্ষী অধীক্ষক, শ্ৰীভূমি), পেট্ৰিক ৰংহাং (সেনাধ্যক্ষ, ৯ নং অসম আৰক্ষী বাহিনী, বৰহমপুৰ), উজ্জ্বল প্ৰতিম বৰুৱা (জ্যেষ্ঠ আৰক্ষী অধীক্ষক, বাক্সাগ্ৰ, বাবুল গগৈ (সেনাধ্যক্ষ, ২য় অসম আৰক্ষী বাহিনী, মাকুম), গৌৰৱ কুমাৰ আগৰৱাল (সেনাধ্যক্ষ, বিটিচি, দেৰগাঁও), ৰাজেন্দ্ৰ ওজা (জ্যেষ্ঠ আৰক্ষী অধীক্ষক, ৰাজ্যিক শাখা, কাহিলিপাৰাগ্ৰ, ভিকু এল আচুমি (আয়ুক্তালয়ৰ অতিৰিক্ত উপ-আয়ুক্ত, কেন্দ্ৰীয়, গুৱাহাটী), নীলতপল ডেকা (সহকাৰী জিলা আৰক্ষী অধীক্ষক, টীয়ক, যোৰহাট), পৰমিতা সৰকাৰ (উপ-আৰক্ষী অধীক্ষক, নগাঁও), মানস প্ৰতিম চৌধুৰী (উপ-আৰক্ষী অধীক্ষক, শ্ৰীভূমি), বিনন্দ বসুমতাৰী (উপ-আৰক্ষী অধীক্ষক, সীমান্ত শাখা, কোকৰাঝাৰ), নিৰীক্ষক ৰূপম হাজৰিকা (কামৰূপ জিলা আৰক্ষী), নিৰীক্ষক দেৱজিৎ চৌধুৰী (অপৰাধ অনুসন্ধান শাখা, গুৱাহাটী), উপ-নিৰীক্ষক প্ৰিয়ংকা বুঢ়াগোহাঁই (ওদালগুৰি জিলা আৰক্ষী) উপ-নিৰীক্ষক ৰোশন থাপা (তিনিচুকীয়া জিলা আৰক্ষী), উপ-নিৰীক্ষক অনুপজ্যোতি পাতিৰী (শচকামৰূপ জিলা আৰক্ষী), উপ-নিৰীক্ষক সঞ্জীৱ কুমাৰ চৌধুৰী শচৰাজ্যিক ৰে'ল আৰক্ষী, পাণ্ড), হাবিলদাৰ মুজিবুৰ ৰহমান (১০ নং অসম আৰক্ষী বাহিনী, কাহিলিপাৰা), লেঞ্চ নায়ক মতেন হাকমচা (৫ম অসম আৰক্ষী বাহিনী, সোণতিলা, ডিমা হাছাও জিলা), লেঞ্চ নায়ক লালনগাকা দাৰনেই (৫ম অসম আৰক্ষী বাহিনী, সোণতিলা), লেঞ্চ নায়ক উৎপল দৌলাগুপু (৫ম অসম আৰক্ষী বাহিনী, সোণতিলা), লেঞ্চ নায়ক বস্তু লিম্বু (তিনিচুকীয়া জিলা আৰক্ষী), লেঞ্চ নায়ক বিজয় নাথ গগৈ (তিনিচুকীয়া জিলা আৰক্ষী), উপ-হাবিলদাৰ বিদ্যুৎ মৰাণ (তিনিচুকীয়া জিলা আৰক্ষী), উপ-হাবিলদাৰ উৎপল মৰাণ (তিনিচুকীয়া জিলা আৰক্ষী), লেঞ্চ নায়ক বুলন গোহাঁই (ডিব্ৰুগড় জিলা আৰক্ষী), লেঞ্চ নায়ক অপূৰ্ব ৰংহাং (আয়ুক্তালয়, গুৱাহাটী), লেঞ্চ নায়ক কল্যাণ বৈশ্য (আয়ুক্তালয়, গুৱাহাটী), লেঞ্চ নায়ক কমল বড়ো (আয়ুক্তালয়, গুৱাহাটী), লেঞ্চ নায়ক হেমন্ত কছাৰী (আয়ুক্তালয়, গুৱাহাটী), লেঞ্চ নায়ক পাৰ্থ দেউৰী (যোৰহাট জিলা আৰক্ষী), লেঞ্চ নায়ক জিতেন চন্দ্ৰ নাথ (নগাঁও জিলা আৰক্ষী), লেঞ্চ নায়ক ভৃগু নন্দন বৰা (নগাঁও জিলা আৰক্ষী)।

# দুই মন্ত্ৰীৰে বৈঠকৰ অন্তত

মিংমাং বদতিৰ গুলীচালনাৰ ঘটনা আৰু দুয়োখন ৰাজ্যৰ সীমা সমস্যা সন্দৰ্ভত অৰুণাচল চৰকাৰৰ লগত মুখ্য সচিবৰ লগতে মুখ্যমন্ত্ৰী পৰ্যায়তো আলোচনা কৰিব। এই সমস্যাটোৰে যাতে এটা ন্যায়সংগত লক্ষ্য প্ৰাপ্তিৰ দিশলৈ আগবাঢ়ে, তাৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিব। অৰুণাচলৰ লোক আৰু অসমীয়া লোকৰ মাজত হোৱা সংঘাতৰ ফলত যিসকল লোক আঘাতপ্ৰাপ্ত হৈছে, তেওঁলোকৰ সমস্ত চিকিৎসা ব্যয় চৰকাৰে বহন কৰিব। ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়কে ধৰি অন্যান্য চিকিৎসালয়লৈ নিয়া আঘাতপ্ৰাপ্তসকলৰ অনা-নিয়াৰ খৰচো চৰকাৰে বহন কৰিব। তাৰ উপৰি চৰকাৰে ভুক্তভোগীসকলৰ ক্ষতিপূৰণো প্ৰদান কৰিব। মন্ত্ৰী ডাঃ পেগুৱে আৰু কয় যে মিংমাং বদতিৰ গুলীচালনাৰ ঘটনা সীমান্তত বিবদমান অঞ্চলত সংঘটিত হোৱা নাই। ঘটনাটো ঘটিছে অসমৰ ভিতৰতে, অসমৰ মাটিত। অসম আৰক্ষীয়ে গুলীচালনাৰ ঘটনাৰ লগত জড়িত ৪জন ব্যক্তিৰ নাম অৰুণাচল আৰক্ষীক দিছে আৰু তেওঁলোকক হস্তান্তৰ কৰিব লাগে বুলি আৰক্ষীয়ে কৈছে। অসম আৰক্ষীয়ে এই লৈ এটা গোচৰ পঞ্জীয়ন কৰিছে। অৰুণাচলৰ চাৰিজন লোকৰ কাৰণে ৰাজ্যখন জগৰীয়া হ'ব নোৱাৰে বুলিও মন্ত্ৰী ডাঃ পেগুৱে মন্তব্য কৰে। ইফালে আলোচনাৰ অন্তত সীমান্ত উন্নয়ন মন্ত্ৰী অতুল বৰায়ো সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি কয় যে মিংমাং বদতিৰ ঘটনা সীমা সমস্যাৰ লগত একলগ কৰিব নোৱাৰি। এইটো এটা আইন-শৃংখলাজনিত সমস্যা। আইন-শৃংখলাজনিত সমস্যা আমাৰ মাটিত হৈছে। এই সমস্যাটো অসম আৰক্ষীয়ে সমাধান কৰিব। আনহাতে অৰুণাচলৰ লগতে উত্তৰ-পূৱৰ অন্যান্য ৰাজ্যসমূহৰ লগত হোৱা সীমা সমস্যা কংগ্ৰেছে সৃষ্টি কৰা সমস্যা বুলি মন্তব্য কৰে মন্ত্ৰী অতুল বৰাই। তেওঁ কয় যে ৰাজ্যৰ সৃষ্টি কৰোঁতে যদি কংগ্ৰেছে সীমা নিৰ্ধাৰণ ঠিকমতে কৰিলেহেঁতেন আজি এই সমস্যাৰ সৃষ্টি নহ'লহেঁতেন। সীমান্তৰ সমস্যা সমাধান নোহোৱা কাৰণে বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি হৈছে। উন্নয়ন স্থবিৰ হৈছে, আমি উন্নতি বিচাৰোঁ। প্ৰগতি বিচাৰোঁ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অহা দিনবিলাকত চুবুৰীয়া ৰাজ্যবোৰৰ সৈতে সীমা সমস্যা সমাধান হ'ব। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে নামচাইৰ ডিক্লিয়াৰেচনতেই অসম-অৰুণাচলৰ সীমা সমস্যাৰ বহু বিবদমান সমস্যা সমাধান হৈছে। দুয়োখন ৰাজ্যৰ মাজত যৌথ কমিটী গঠন হৈছে। অৰুণাচলৰ ১২খন জিলা অসমৰ লগত আছে। তেওঁলোকৰ লগত সীমা সমস্যাক লৈ আলোচনা চলি আছে। নিৰ্বাচনৰ বাবে মাজতে আলোচনা স্থবিৰ হৈছিল। এতিয়া নতুনকৈ আলোচনা প্ৰক্ৰিয়া আৰম্ভ হৈছে। নামচাই ডিক্লিয়াৰেচনৰ পাছত স্থানীয় লোকৰ লগত আলোচনা কৰি সীমান্ত ঠিক কৰাৰ সিদ্ধান্ত লোৱা হৈছে। কেৱল ৫২খন গাঁৱৰ লগত সীমা ঠিক কৰিবলৈ আছে। মিংমাং বদতিৰ ঘটনাটো অসমৰ মাটিত হোৱা বাবে আৰক্ষীয়ে গোচৰ লৈছিল। ঘটনাটো অসম আৰক্ষীয়ে সমাধান কৰিব। ধেমাজি জিলা সংহত আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত মন্ত্ৰী দুগৰাকীৰ লগতে জিলা আয়ুক্ত ৰাহুল সুৰেশ জাৱীৰ, চিচিবৰগাঁও সমষ্টিৰ বিধায়ক জীৱন গগৈ, মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙীয়া আৰু টিএমপিকে, আটাছু, অসম জাতীয়বাদী যুৱ পৰিষদকে ধৰি কেইবাটাও দল-সংগঠনৰ নেতা উপস্থিত থাকে ।

# স্বাধীনতা দিৱসৰ দিনাই

খননৰ ফলত এই বানৰ সৃষ্টি হৈছে বুলিও তেওঁ কয় । বিধায়ক গগৈয়ে এই অবৈধ খননত জড়িতসকলক শাস্তিৰ দাবী জনোৱাৰ লগতে বানত ক্ষতি হোৱা জিলাখনৰ আন্তঃগাঠনি পুনৰ নিৰ্মাণৰ দাবীও উত্থাপন কৰে । লগতে সকলোতকৈ বেছি ক্ষতি হোৱা শিৱসাগৰ আৰু নাজিৰা সমষ্টিৰ বাবে ১০০০ কোটি টকাৰ বিশেষ পেকেজ দাবী কৰে। বিধায়ক গগৈয়ে কয়, আজি দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস । সকলোৱে অতি উলাহ-মালহেৰে এই দিনটো উদযাপন কৰিছে। কিন্তু শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাটৰ মানুহে স্বাধীনতা দিৱসৰ এই কাৰ্যসূচী উদযাপন কৰিব পৰা নাই । যোৱা ১৯ জুলাইত আমাৰ এই তিনিখন জিলাত যি মহাপ্ৰলয় আহিল, ১৭৫০ চনত দিখৌত এনে মহাপ্ৰলয় আহিছিল, ১৯৫০ চনত ভৰভুঁইকঁপো আহিছিল, সেই সকলোবোৰতকৈও ডাঙৰ প্ৰলয় এইবাৰ হ'ল । ইমান ডাঙৰ প্ৰলয় হোৱাৰ পাছতো কেন্দ্ৰীয় চৰকাৰৰ পৰা আমালৈ কোনো সঁহাৰি নাহিল।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব

আপত্তিজনক মন্তব্য কৰে। উক্ত একাউণ্টধাৰী লোকজনে কমেণ্টত উল্লেখ কৰে যে- কোনোবাই যদি তেওঁক ৰ কোটি টকা দিয়ে, তেন্তে তেওঁ মুখ্যমন্ত্ৰীক হত্যা কৰিব। এই সন্দৰ্ভত যোগাযোগ কৰিবলৈ লোকজনে কমেণ্টটোতেই তেওঁৰ ফোন নম্বৰ মুকলিকৈ প্ৰকাশ কৰে। কমেণ্টত 'পাকিস্তান জিন্দাবাদ' ধ্বনিও দিয়ে আব্দুল মোতালেব নামৰ লোকজনে। এই ভাবুকিৰ পাছতে ডিজিপি হৰমীত সিঙে ঘটনা সন্দৰ্ভত উচিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰিছিল । ডিজিপি সিঙে এই কথা ঘোষণা কৰাৰ কিছু সময়ৰ পাছতে মৰিগাঁও আৰক্ষীয়ে অভিযুক্তটোক আটক কৰে। ডিজিপি সিঙে জনোৱা মতে, মুখ্যমন্ত্ৰীক হত্যাৰ ভাবুকি দিয়া আব্দুল মুতালেবক মৰিগাঁৱৰ ভুৰাগাঁও আৰক্ষীয়ে আটক কৰিছে। মুখ্যমন্ত্ৰী ড°শৰ্মাই পতাকা উত্তোলন কৰি স্বাধীনতা দিৱস উপলক্ষে জনতাক উদ্দেশ্যি ভাষণ দি আছিল। সেই সময়ত মুখ্যমন্ত্ৰীৰ ফেচবুক LIVE চলি আছিল। তেতিয়াই আব্দুল মুতালেব নামৰ এটা একাউণ্টৰ পৰা মুখ্যমন্ত্ৰীক হত্যাৰ ভাবুকি দিয়া হৈছিল ।

# যুৱ সমাজকৰ্মী ৰন্টু

বাবে প্ৰকৃত ভভুক্তভোগীসকলৰ ওচৰলৈ সহায় লৈ যোৱাত বাধাৰ সৃষ্টি হৈছে। খাদ্য সামগ্ৰী বা বিস্কুট-গাখীৰ দিলে "এইবোৰ কিয় আনিছা" বুলি কটু মন্তব্য কৰি কেৱল নগদ ধন দাবী কৰা লোকো দেখা পোৱা গৈছে। এই সমগ্ৰ অনাকাংক্ষিত ঘটনা আৰু স্বাৰ্থপৰতাৰ মাজতো সমাজত যে এতিয়াও মানৱতা জীয়াই আছে, তাৰো প্ৰমাণ পোৱা গৈছে। কিছুমান অঞ্চলৰ স্থানীয় ৰাইজে ভিতৰুৱা অঞ্চললৈ যোৱাত অভূতপূৰ্ব সহযোগিতা আগবঢ়োৱাৰ লগতে পথত চাহ-চৰবত খুৱাই সন্মান আৰু শ্ৰদ্ধা জনাইছে। এনে এক মহাপ্ৰলয়ৰ সময়ত সমগ্ৰ অসমবাসী একতাৰে ওলাই অহাটো যিদৰে অতুলনীয়, ঠিক তেনেদৰে কিছুসংখ্যক লোকৰ এনে অমানৱীয় ব্যৱহাৰে সেৱাসকলৰ মনোবল ভাঙি পেলায়। তথাপিও, সকলো তিক্ততা পাহৰি "আমি জুবিন যুগৰ মানুহ, জুবিন দাৰ আদৰ্শ লৈ আগুৱাই যোৱাৰ প্ৰয়াস কৰিছোঁ আৰু জীৱনৰ শেষ মুহূৰ্তলৈকে মানুহৰ সেৱা কৰি যাম " বুলি উল্লেখ কৰি ৰন্টু ৰঞ্জন কলিতাই মানৱতাৰ জয়গান গাই আগুৱাই যোৱাৰ দৃঢ় সংকল্প প্ৰকাশ কৰিছে।

# ডিব্ৰুগড় কানৈ

অনুষ্ঠানটিত 'প্ৰিঞ্চিপালছ লাষ্ট ক্লাছ-৩.০' বক্তৃতামালাত 'বুকুৰ মাজত জীয়াই থকা এজন পিতৃৰ অপ্ৰকাশিত মমতা'- শীৰ্ষক বিষয়ত অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় বোধহয় পিতৃসকল এনেকুৱাই। পিতৃয়ে সন্তানক মাকৰ দৰে কোলাত লৈ মুখত চুমা খাই মৰম দেখুৱাব নোৱাৰে। পিতৃৰ মৰমবোৰ লুকুৱাই থোৱা থাকে অনুশাসনৰ টান চামৰাৰ আঁৰত, গালি-গালাজৰ পিছফালে আৰু নিৰবে কৰি যোৱা কষ্টবোৰৰ মাজত। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কানৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য ননীমাধৱ বৰকটকীয়ে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ এটি কালজয়ী গীত পৰিবেশন কৰে। বৰকটকীয়ে অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ কৰ্মৰাজিক ভূয়সী প্ৰশংসা কৰি কয়- অধ্যক্ষগৰাকীৰ নেতৃত্বতে কানৈ মহাবিদ্যালয়ে উন্নতিৰ উচ্চ শিখৰত আগুৱাই যাবলৈ সক্ষম হৈছে। উল্লেখ্য যে অৰুণাচল প্ৰদেশৰ পৰা আহি কানৈ মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা ছাত্ৰ সুভম সুত্ৰধৰে অধ্যক্ষগৰাকীক প্ৰশংসা কৰি এক সুন্দৰ বক্তব্য প্ৰদান কৰে আৰু অধ্যক্ষগৰাকীয়ে ছাত্ৰজনৰ বক্তব্যত আপ্লুত হৈ ছাত্ৰজনক নগদ পাঁচ টকাৰ লগতে এখন মানপত্ৰ প্ৰদান কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা উপাসনা দত্তই।


## ENGLISH NEWS SECTION

# Governor Shri Acharya hoists National Flag on 80th Independence Day at Lok Bhavan



Guwahati,RB News: Joining the nation in celebrating the 80th Independence Day of India, Assam Governor Shri Lakshman Prasad Acharya hoisted the National Flag at Lok Bhavan today. The ceremony was attended by officers, staff and the family members of Lok Bhavan, while personnel of the CRPF presented a ceremonial Guard of Honour, adding solemnity and grandeur to the occasion. Speaking on the occasion, Governor Shri Acharya extended his warm greetings to the people of Assam. He called upon citizens, particularly the youth, to draw inspiration from the sacrifices of the freedom fighters and dedicate themselves to the service of the nation. Stating that the spirit of Independence is best honoured through collective action and responsible citizenship, he urged everyone to contribute towards building a strong, Atmanirbhar and Viksit Bharat. Paying rich tributes to the architects of India's freedom, the Governor said that the nation's progress rests on the foundations laid by countless patriots who made extraordinary sacrifices for the cause of independence. He noted that their courage, commitment and ideals continue to inspire generations and guide the country's journey towards a brighter future. As part of the celebrations, Governor Shri Acharya felicitated distinguished armed forces veterans in recognition of their exemplary contributions both during and after their service to the nation. The veterans honoured were Nb Sub Dilip Duarah (Retd), Army; JWO Dilip Chandra Kalita (Retd), Air Force; Sub Puspa Lal Bhattarai (Retd), Assam Regiment, Army; NK Anupam Das (Retd), Army; and Hav Mukta Roy (Retd), Army.

## Team India hoist National Flag in Sri Lanka on Independence Day



RB News: Team India celebrated the nation's 80th Independence Day by hoisting the Tricolour in Galle on Saturday, ahead of their first Test against Sri Lanka. The occasion carries extra significance for the visitors, as India has become the first Asian team and only the third side overall, after England and Australia, to play 600 Test matches. The BCCI shared a video showing head coach Gautam Gambhir and captain Shubman Gill, along with other team members and support staff, participating in the ceremony.

## PM Modi announces nationwide sports talent hunt for children aged 5-15



RB News: Prime Minister Narendra Modi on Saturday said India is a strong contender to host the 2036 Olympics and announced plans for a nationwide talent identification programme aimed at building a stronger pipeline of athletes for the Games. Addressing the nation from the Red Fort on the 80th Independence Day, Modi said India must not only seek the opportunity to host the Olympics but also improve its participation across disciplines. The proposed talent hunt will cover children between five and 15 years of age and seek sporting prospects from across the country. Those identified will receive specialised training with the aim of developing them into world-class athletes.

## VVS Laxman set to be named BCCI's first Director of Cricket



RB News: Ex-India batter VVS Laxman is set to become BCCI's first Director of Cricket next month, reports said. Laxman currently heads BCCI's Centre of Excellence. The new role would give him oversight of cricket, including staff appointments, pathways and coordination with coaches and selectors. It would reportedly place him above head coach Gautam Gambhir and chief selector Ajit Agarkar in hierarchy.

## India opt to bat after winning toss in historic 600th Test



RB News: India won the toss and chose to bat first against Sri Lanka in the opening Test of the two-match series at Galle International Stadium on August 15. Led by Shubman Gill, India will become the first Asian team and only the third overall after England and Australia to play 600 Test matches. India's playing XI for the Test against Sri Lanka in Galle includes Devdutt Padikkal, Dhruv Jurel and Rishabh Pant. India have picked three spinners in Ravindra Jadeja, Kuldeep Yadav and Manav Suthar, with Mohammed Siraj and Prasidh Krishna as pacers.

## Jemimah Rodrigues ruled out of Asia Cup & Asian Games with injury



RB News: India batter Jemimah Rodrigues has been ruled out of the upcoming Women's Asia Cup and Asian Games after suffering a high-grade right hamstring tear while playing for Southern Brave in The Hundred in England. Rodrigues sustained the injury on August 3. The BCCI said in a statement that the 25-year-old Rodrigues has been assessed by the medical team with a high-grade tear. The Women's Selection Committee has named Pratika Rawal as Rodrigues' replacement for the Asia Cup to be played in Dubai from August 28 to September 13.

## IPL cricketer Abishek Porel denied bail in rape case



RB News: West Bengal and Delhi Capitals cricketer Abishek Porel was denied bail on Friday in the case of an alleged rape of a medical student. He has been remanded to judicial custody for 14 days. Porel was arrested on August 11 in Hooghly after being questioned by police in connection with the case filed by a young woman who accused the cricketer of rape, blackmail and other offences. He was taken into custody and subsequently arrested late Wednesday night. He underwent a medical examination before being produced at the Chinsurah court.

# শিশুৰ মানসিক উৎকৰ্ষ সাধনত সাধুকথাৰ ভূমিকা

**ৰশ্মি ৰেখা দুৱৰা, ডিব্ৰুগড়**



শিশু হৈছে আমাৰ ভৱিষ্যৎ। আজিৰ শিশুৱেই কাইলৈৰ সু-নাগৰিক, সমাজ-সংস্কাৰক আৰু দেশৰ দায়িত্বশীল ব্যক্তি। সেয়েহে শিশুৰ শাৰীৰিক বিকাশৰ লগতে মানসিক, বৌদ্ধিক আৰু নৈতিক বিকাশো সমানেই গুৰুত্বপূৰ্ণ। এই মানসিক উৎকৰ্ষ সাধনত বিভিন্ন মাধ্যমৰ ভিতৰত সাধুকথা এক উল্লেখযোগ্য উপাদান। যুগে যুগে সাধুকথাই শিশুৰ মনোৰঞ্জনৰ লগতে শিক্ষা, মূল্যবোধ আৰু জীৱন-দৰ্শন গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সাধুকথা কেৱল কল্পনাৰ জগতৰ কাহিনী নহয়; ইয়াৰ মাজত লুকাই থাকে জীৱনৰ গভীৰ শিক্ষা, নৈতিক আদৰ্শ আৰু সামাজিক মূল্যবোধ।

সাধুকথা হৈছে লোকসমাজত প্ৰচলিত এনে কাহিনী, য'ত ৰজা-ৰাণী, পৰী, জীৱ-জন্তু, গছ-গছনি অথবা অলৌকিক চৰিত্ৰৰ জৰিয়তে জীৱনৰ নানান নীতি-শিক্ষা প্ৰদান কৰা হয়। সাধুকথাৰ ভাষা সহজ-সৰল আৰু আকৰ্ষণীয় হোৱাৰ বাবে শিশুৱে আগ্ৰহেৰে শুনে আৰু মনত ৰাখিবলৈ সহজ হয়। ইয়াৰ প্ৰতিটো কাহিনীয়ে শিশুক আনন্দ দিয়াৰ লগতে জীৱনৰ সঠিক পথ বাছি ল'বলৈ অনুপ্ৰাণিত কৰে।

সাধুকথাই শিশুৰ কল্পনাশক্তিক বিস্তাৰিত কৰে। পৰী, যাদু, অলৌকিক ৰাজ্য, কথা কোৱা জীৱ-জন্তু আদি চৰিত্ৰ আৰু ঘটনাই শিশুক এক নতুন জগতৰ সৈতে পৰিচয় কৰাই দিয়ে। এই কল্পনাৰ জগতেই শিশুৰ সৃজনশীল চিন্তাশক্তি গঢ়ি উঠে। কল্পনাশক্তিৰ বিকাশে শিশুক নতুন ধাৰণাৰ সৃষ্টি, সমস্যা সমাধান আৰু উদ্ভাৱনী শক্তি বৃদ্ধি কৰাত সহায় কৰে।

সাধুকথাৰ আটাইতকৈ ডাঙৰ অৱদান হৈছে নৈতিক মূল্যবোধ গঢ়ি তোলা। সত্যবাদিতা, সততা, দয়া, সহানুভূতি, সাহস, ধৈৰ্য, পৰোপকাৰ, শ্ৰমৰ মৰ্যাদা, ন্যায়পৰায়ণতা আদি গুণ সাধুকথাৰ জৰিয়তে শিশুৱে সহজে আয়ত্ত কৰে। অধিকাংশ সাধুকথাত শেষত সৎ ব্যক্তিৰ জয় আৰু অসৎ ব্যক্তিৰ পৰাজয় দেখুওৱা হয়। ইয়াৰ ফলত শিশুৰ মনত সৎ পথত চলাৰ প্ৰেৰণা জন্মে।

সাধুকথা শুনা আৰু পঢ়াৰ ফলত শিশুৰ শব্দশক্তি বৃদ্ধি পায়। নতুন শব্দ, বাক্যগঠন আৰু প্ৰকাশভংগী শিকিবলৈ সুবিধা হয়। ইয়াৰ ফলত ভাষাজ্ঞ ান, পঢ়াৰ অভ্যাস, শুদ্ধ উচ্চাৰণ আৰু যোগাযোগ দক্ষতাৰো বিকাশ ঘটে। যিসকল শিশুৱে নিয়মীয়াকৈ সাধুকথা শুনে, তেওঁলোকৰ কল্পনাশক্তি আৰু ভাষা প্ৰকাশৰ ক্ষমতা সাধাৰণতে অধিক উন্নত হয়।

সাধুকথাৰ বিভিন্ন ঘটনা, চৰিত্ৰ আৰু পৰিস্থিতিয়ে শিশুক চিন্তা কৰিবলৈ উদ্বুদ্ধ কৰে। কোনে সঠিক কাম কৰিলে, কোনে ভুল কৰিলে, কেনেকৈ সমস্যাৰ সমাধান হ'ল- এইবোৰ বিষয়ত চিন্তা কৰি শিশুৰ বিশ্লেষণ ক্ষমতা আৰু যুক্তিবোধ বৃদ্ধি পায়। ফলত তেওঁলোকে সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা ধীৰে ধীৰে আয়ত্ত কৰে।

সাধুকথাৰ জৰিয়তে শিশুৱে সমাজৰ বিভিন্ন নিয়ম-নীতি, পাৰস্পৰিক সহযোগিতা, বন্ধুত্ব, পৰিয়ালৰ মূল্য, বয়োজ্যেষ্ঠৰ প্ৰতি সন্মান আৰু সমাজৰ প্ৰতি দায়িত্ববোধ শিকে। ইয়াৰ ফলত শিশুৰ সামাজিক আচৰণ উন্নত হয় আৰু তেওঁ এজন দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি উঠিবলৈ সক্ষম হয়।

সাধুকথাৰ নায়ক-নায়িকাসকলে বহু বাধা-বিঘিনি অতিক্ৰম কৰি সফলতা লাভ কৰে। এনে কাহিনীয়ে শিশুক সাহসী, আশাবাদী আৰু আত্মবিশ্বাসী হ'বলৈ উৎসাহিত কৰে। জীৱনত সমস্যা আহিলেও ধৈৰ্য আৰু অধ্যৱসায়েৰে আগবাঢ়ি যাব লাগে বুলি শিশুৱে উপলব্ধি কৰে। ইয়াৰ ফলত মানসিক দৃঢ়তা বৃদ্ধি পায়।

প্ৰতিটো জাতিৰ সাধুকথাত সেই জাতিৰ সংস্কৃতি, পৰম্পৰা, বিশ্বাস, জীৱনধাৰা আৰু সামাজিক মূল্যবোধ প্ৰতিফলিত হয়। অসমীয়া সাধুকথাৰ জৰিয়তে শিশুৱে নিজৰ ভাষা, সংস্কৃতি, লোকবিশ্বাস আৰু ঐতিহ্যৰ সৈতে পৰিচিত হয়। ইয়াৰ ফলত নিজৰ সংস্কৃতিৰ প্ৰতি গৌৰৱবোধ জন্মে আৰু সাংস্কৃতিক চেতনা শক্তিশালী হয়।

বৰ্তমান বিজ্ঞান-প্ৰযুক্তিৰ যুগত শিশুসকলে মোবাইল ফোন, টেলিভিশ্বন আৰু ইণ্টাৰনেটত অধিক সময় কটায়। ফলত সাধুকথা শুনা বা পঢ়াৰ অভ্যাস ক্ৰমাৎ হ্ৰাস পাইছে। কিন্তু ডিজিটেল যুগতো সাধুকথাৰ প্ৰয়োজনীয়তা একেবাৰেই কমি যোৱা নাই। বৰং অভিভাৱক আৰু শিক্ষকে নিয়মীয়াকৈ শিশুক সাধুকথা ক'ব লাগে অথবা পঢ়িবলৈ উৎসাহিত কৰিব লাগে। আজিকালি চিত্ৰসহ গল্পৰ কিতাপ, অডিঅ' গল্প আৰু এনিমেচনৰ জৰিয়তেও সাধুকথা শিশুৰ ওচৰলৈ সহজে লৈ যাব পাৰি।

শিশুৰ মানসিক উৎকৰ্ষ সাধনত অভিভাৱক আৰু শিক্ষকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শোৱাৰ আগতে শিশুক সাধুকথা কোৱা, বিদ্যালয়ত গল্পপাঠৰ আয়োজন কৰা, গল্প কোৱাৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা আৰু কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলাৰ জৰিয়তে শিশুৰ মাজত সাধুকথাৰ প্ৰতি আগ্ৰহ সৃষ্টি কৰিব পাৰি। গল্পৰ অন্তৰ্নিহিত শিক্ষা শিশুক সহজ ভাষাত বুজাই দিলে তেওঁলোকৰ নৈতিক বিকাশ অধিক ফলপ্ৰসূ হয়।

সাধুকথা কেৱল মনোৰঞ্জনৰ মাধ্যম নহয়; ই শিশুৰ মানসিক, বৌদ্ধিক, নৈতিক, সামাজিক আৰু সাংস্কৃতিক বিকাশৰ এক শক্তিশালী মাধ্যম। ই শিশুৰ কল্পনাশক্তি, চিন্তাশক্তি, ভাষাজ্ঞ ান, মূল্যবোধ আৰু আত্মবিশ্বাস গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে আধুনিক ব্যস্ত জীৱনতো শিশুসকলক সাধুকথাৰ সৈতে পৰিচয় কৰোৱা আমাৰ সকলোৰে দায়িত্ব। যি সমাজে নিজৰ শিশুসকলক উন্নত আদৰ্শ, নৈতিক শিক্ষা আৰু সুস্থ মানসিক বিকাশৰ সুযোগ দিয়ে, সেই সমাজেই ভৱিষ্যতে এখন উন্নত, শান্তিপূৰ্ণ আৰু মানৱীয় সমাজ গঢ়ি তুলিবলৈ সক্ষম হয়। এই দিশৰ পৰা বিচাৰ কৰিলে, শিশুৰ মানসিক উৎকৰ্ষ সাধনত সাধুকথাৰ ভূমিকা অনস্বীকাৰ্য আৰু চিৰস্মৰণীয়।

# চিনাকী নদীৰ অচিনাকী মন



**হৰেন কপ্তাক**

চিনাকী নদীখন অচিনাকী হৈ পৰিল
কাষৰীয়া গাঁৱৰ আপোন হৈ পৰা নদীখন
হঠাতে হৈ পৰিল শত্ৰু
উন্মাদ হৈ উঠিল নদীখন
শিল্পীয়ে কোনোদিন নাগায় এতিয়া
দিখৌ নৈ এৰিব নোৱাৰোঁ...
এটি অজান আশংকাই বাহ লৈছে মনত
আৰুবা কি ভৱিষ্যৎ ... !
প্ৰকৃতিৰ লীলা কেতিয়াবা এবাৰহে আহে
কিন্তু যিদিনা ই কৃত্ৰিমতাৰ কৰাল গ্ৰাসত নিৰ্যাতিত হৈ পৰে
বলিয়া বান হৈ চিঞৰি চিঞৰি দৌৰে
দিখৌ নদীৰ পাৰত
দেখা নাপাব এতিয়া বনভোজৰ দল
বিজুলী পোহৰত জিলিকি থকা
আপোন ঘৰবোৰ, সেউজ পথাৰবোৰ পলস মাঁথো পলস
শুনি পোৱা নাযাব এতিয়া পুৱতি নিশাৰ কুকুৰাৰ ডাক
এতিয়াও মনত এটি অবুজ আশংকা
আৰু বা কি গতি হয় ?
কোনে জানে অনাগতৰ সঠিক ঠিকনা ?

অণুগল্প

# আত্মহত্যা



**হেৰম্ব নাথ**

অ' দেউতা, মই এইবাৰ মেডিকেলত ছিট পামেই পাম। মাজনী ইমান অত্যুৎসাহী নহ'বা। হতাশাই হঠাতে ডিঙিত কামোৰ মাৰি ধৰিব। কি কোৱা দেউতা এইবোৰ। তুমি চাই থাকাচোন, আমাৰ কোচিং চেণ্টাৰে প্ৰশ্ন বাচি দি চেলেঞ্জত বহু কিবাকিবি কৈছে।

পেপাৰ লিক্ হোৱাৰ লগে লগে মাজনী ঢলি পৰিল! দেউতাকে এপলকো নবৈ হস্পিটেলত ভৰ্তি কৰালে। ডাক্তৰেও ক'লে--- এনজাইটিৰ বাবে এনেকুৱা হৈছে। কিছু সময় পাছত ৰিলিজ দিলে আৰু ঘৰ পোৱাৰ এঘণ্টা পাছতেই মাজনীয়ে চিলিং ফেনত মাকৰ চাদৰখনেৰে চিপ লৈ আত্মহত্যা কৰিলে। নিজৰ জীৱনক কিয় তুমি তুচ্ছ জ্ঞান কৰিলা মাজনী! বহু সময় আছিল নিজক গঢ় দিবলৈ; কেৱল ডাক্তৰ-ইঞ্জিনিয়াৰেই জীৱন নহয়!

# অসমৰ বানপানীঃ

এটা 'ৰাষ্ট্ৰীয় সমস্যা' (National Problem) হিচাপে ঘোষণা কৰিব লাগে। বাৰ্ষিক সাহায্য বিতৰণৰ পৰম্পৰাগত নিয়মতকৈ নদী নিয়ন্ত্ৰণৰ বাবে এক দীৰ্ঘম্যাদী বিজ্ঞানসন্মত পৰিকল্পনা, স্থায়ী মথাউৰি নিৰ্মাণ আৰু বান-পৰৱৰ্তী স্বাস্থ্য তথা অৰ্থনৈতিক পুনৰুদ্ধাৰৰ বাবে চৰকাৰে কঠোৰ আৰু স্থায়ী পদক্ষেপ গ্ৰহণ কৰাটো বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ দাবী।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286